অধ্যায় ১ ঃ অসমীয়া লোকগীত

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ লোকগীত

১.৪ *অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই*

১.৪.১ গোৱালপৰীয়া লোকগীত

১.৪.২ গীতটিৰ মূল পাঠ

১.৪.৩ গীতটিৰ সাধাৰণ আলোচনা

১.৫ *মোৰ বাছা দূৰকে নাযাইবা এ*

১.৫.১ কামৰূপী লোকগীত

১.৫.২ গীতটিৰ মূল পাঠ

১.৫.৩ গীতটিৰ সাধাৰণ আলোচনা

১.৬ *জীৱৰ সাৰথি নাম*

১.৬.১ কবি পৰিচয়

১.৬.২ জিকিৰৰ সাধাৰণ পৰিচয়

১.৬.৩ জিকিৰটোৰ মূল পাঠ

১.৬.৪ জিকিৰটোৰ সাধাৰণ আলোচনা

১.৭ *কিমতে এৰাইবো মায়াহে গোপাল/কিমতে এৰাইবো মায়া*

১.৭.১ দেহবিচাৰৰ গীত

১.৬.২ গীতটিৰ মূল পাঠ

১.৬.৩ গীতটিৰ গূঢ়ার্থ

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.১১ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লোকগীত কি আৰু ইয়াৰ প্রধান বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব
- গোৱালপৰীয়া লোকগীতৰ সাধাৰণ পৰিচয়, ইয়াৰ সাহিত্যিক আৰু সাঙ্গীতিক তাৎপর্য, বৈশিষ্ট্য লগতে পাঠ্যবিষয়ত সন্নিৱিষ্ট মুইছালৰ (মুইযাল) গীতটিৰ বিষয়ে আলোচনা কৰিব পাৰিব

- কামৰূপীয়া লোকগীতৰ সাধাৰণ পৰিচয়, ইয়াৰ সাহিত্যিক, সাঙ্গীতিক তাৎপর্য, বৈশিষ্ট্য আৰু 'গোপী কৃষ্ণৰ গীত'ৰ ধাৰণা লাভ কৰাৰ লগতে পাঠ্যসূচীৰ অন্তর্গত *মোৰ বাছা দূৰকে নাযাইবা এ* গীতটিৰ বিষয় আলোচনা কৰিব পাৰিব
- জিকিৰ গীতৰ ৰচক আজান ফকীৰৰ বিষয়ে সম্যক পৰিচয়, জিকিৰ গীতৰ সাধাৰণ ধাৰণা আৰু পাঠ্যবিষয়ৰ অন্তর্গত *জীৱৰ সাৰথি নাম* গীতটিৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- দেহ বিচাৰ গীতৰ তাত্ত্বিক বিষয়ৰ লগত পৰিচিত হৈ আধ্যাত্মিক গীতৰ সাঙ্গীতিক তাৎপর্য আৰু ইয়াৰ বৈশিষ্ট্যৰ বিষয়ে সাধাৰণ আভাস লাভ কৰাৰ লগতে পাঠ্যবিষয়ৰ অন্তর্গত *কি মতে এৰাইবো মায়াহে গোপাল* গীতৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

অসমীয়া লোক-সাহিত্যৰ লোকগীত শীর্ষক অধ্যায় 'অসমীয়া কবিতা' নামৰ দ্বিতীয় পাঠ্যক্রমৰ প্রথম অধ্যায়। লোক-সাহিত্যৰ ইতিহাসত লোকগীতৰ বিশেষ স্থান আছে। লোকগীত সমূহ এক প্রকাৰ লোক-কবিতা বুলি ক'ব পাৰি। অধিক সংখ্যক লোকগীতৰ ৰচকৰ নাম পোৱা নাযায়। আলোচ্য অধ্যায়টিত চাৰিটা লোকগীতৰ বিষয়ে শিক্ষার্থীক পৰিচয় কৰাই দিয়া হ'ব।

লোক-সাহিত্য সমাজৰ সামগ্রিক সৃষ্টি। অসমীয়া লোক-সাহিত্যৰ বৈচিত্র্য আৰু অভিনৱত্ব অবিস্মৰণীয়। লোক-সাহিত্যই বিভিন্ন বিষয়ৰ মাজেদি জনসাধাৰণৰ বিচিত্র ভাবানুভূতি প্রকাশ কৰাৰ উপৰিও জনগণৰ বুদ্ধি, চিন্তাধাৰা, সমাজচিত্র আদিৰ আভাস দিয়ে। সাম্প্রতিক সময়ত লোক-সাহিত্যৰ গৱেষক-পণ্ডিতসকলে বিভিন্ন দৃষ্টিভঙ্গীৰে লোক-সাহিত্যৰ শ্রেণী বিভাজন কৰিছে। লোক-সাহিত্যৰ আঞ্চলিক বৈশিষ্ট্যৰ আধাৰত বা ভৌগোলিক বৈশিষ্ট্যৰ আধাৰতে শ্রেণী বিভাজন কৰা পৰিলক্ষিত হয়। নির্দিষ্ট একো একোটা অঞ্চলৰ ভাষিক ৰূপৰ ওপৰত গুৰুত্ব দি অসমীয়া লোকগীতসমূহক 'গোৱালপৰীয়া' আৰু 'কামৰূপীয়া' লোকগীত বুলি বিভাজন কৰা হৈছে।

লোকগীতসমূহ তাত্ত্বিক অথবা দার্শনিক ভাবপ্রধান গীত। এনে গীতসমূহৰ ভিতৰত দেহ বিচাৰৰ গীত, মৈষালৰ গীত, গোপী-কৃষ্ণৰ গীত, টোকাৰী গীত, জিকিৰ উল্লেখযোগ্য। এই অধ্যায়সূচীত আমি একোটাকৈ গোৱালপৰীয়া, কামৰূপী লোকগীত আৰু দার্শনিক ভাবযুক্ত দেহবিচাৰ, জিকিৰ গীতৰ অধ্যয়ন কৰিম।

মন কৰিব যে দেহবিচাৰ গীতৰ ৰচকৰ নাম পোৱা নাযায়। অখ্যাত চহা কবিসকলৰ ৰচনা। কিন্তু জিকিৰৰ ৰচক আজান ফকীৰৰ নামৰ উল্লেখ আছে। সেয়ে জিকিৰৰ লগত সেইসমূহ আজানৰ স্রষ্টা ফকীৰৰ বিষয়ে কিছু আলোচনা কৰা হৈছে।

১.৩ লোকগীত

লোক-সাহিত্যৰ ইতিহাসত লোকগীতে বিশেষ স্থান অধিকাৰ কৰি আছে। বিষয়বস্তুৰ বিবিধতা আৰু গঠন ৰীতিৰ বিচিত্রতাৰে লোকগীত সমৃদ্ধ। তাহানিৰ মানৱ সভ্যতা আৰু সংস্কৃতিৰ সংযুতিৰ মাজতেই লোকগীতৰ জন্ম আৰু বিকাশ সাধন হৈছে। মানুহৰ অন্তৰৰ আনন্দদায়ক

আৰু বেদনাদায়ক অনুভূতিয়েই লোকগীতৰ প্ৰধান উৎস। লোকগীত চহা প্ৰাণৰ মুক্ত পৰিস্ফূৰণ আৰু অন্তৰৰ ভাবাবেগৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। এই প্ৰসঙ্গত লোকগীতৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য আগবঢ়োৱা হৈছে—


- লোকগীত বৈচিত্ৰ্যপূৰ্ণ আৰু সমৃদ্ধিশালী। ই সৰ্বসাধাৰণ লোকৰ সম্পদ। লোক জীৱনৰ অন্তৰ তথা মনৰ অনুভূতিবোৰক চহা কবিয়ে ছন্দোবদ্ধভাৱে ৰচনা কৰিছে আৰু ইবোৰে সময়ৰ সোঁতত বিভিন্ন লোক মনৰ হাতত পৰি বিশেষ পৰিমাৰ্জিত ৰূপ গ্ৰহণ কৰিছে।
- লোকগীতবোৰত লোক সমাজৰ জীৱন চেতনা আৰু আশা-আকাঙ্ক্ষা, আবেগ-অনুভূতি, কাৰুণ্য, বিৰহ-বেদনা আদি প্ৰকাশ পায়।
- লোকগীতত জনসাধাৰণৰ বাস্তৱ অভিজ্ঞতা, প্ৰকৃতিৰ পৰা পোৱা নানা অভিজ্ঞতা আৰু ব্যৱহাৰিক জীৱনৰ লগত সম্বন্ধ থকা অনেক বিষয়ক কেন্দ্ৰ কৰিয়েই চহা কবিসকলে লোকগীত ৰচনা কৰে কাৰণেই গীতবোৰত লোক সমাজৰ ছবি স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পায়।
- অধিকাংশ লোকগীতৰ ৰচনা কাল সম্পৰ্কে খাটাং কোনো সিদ্ধান্ত পোৱা নাযায়। বুৰঞ্জী বা ঐতিহাসিক আৰু বৈষ্ণৱ ভাবসম্পন্ন গীতৰ ৰচনা কালৰ বিষয়ে অনুমান কৰি ল'ব পাৰি।
- লোকগীতৰ সাধক তথা গায়ক-গায়িকাসকলৰ ৰসশাস্ত্ৰৰ জ্ঞান যথেষ্ট। সেয়ে লোকগীতবোৰ ৰস সাগৰত ডুবি থাকে। লোকগীতবোৰৰ অধিকাংশ শৃঙ্গাৰ, হাস্য আৰু কৰুণ ৰসেৰে ভৰপূৰ।অৱশ্যে কিছুমান গীতত বীৰ আৰু ৰৌদ্ৰ ৰসৰ প্ৰাধান্য দেখা যায়।
- লোকগীতবোৰত উপমা, ৰূপক, অপ্ৰস্তুত প্ৰশংসা অতিশয়োক্তি আদি অলঙ্কাৰযুক্ত দেখা যায়। লোকগীতৰ অধিকাংশ গীততেই পয়াৰ, পদ, ছবি, দুলড়ী আদি ছন্দ দেখা যায়।
- লোকগীতত ব্যৱহাৰ কৰা সংলাপবোৰে কেতিয়াবা কেতিয়াবা গীতবোৰক নাটকীয় মৰ্যাদা দিয়া দেখা যায়।

১.৪ অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই

ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে অসমীয়া লোকগীতবোৰক আঞ্চলিক শ্ৰেণী বিভাজনৰ আধাৰত 'গোৱালপৰীয়া' আৰু 'কামৰূপীয়া' লোকগীত নামেৰে বিভাজন কৰা হৈছে। আমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত *অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই* —মুইছাল বিষয়ৰ গীতটি গোৱালপৰীয়া লোকগীতৰ অন্তৰ্ভুক্ত।মন কৰিবলগীয়া বিষয় যে এই গোৱালপৰীয়া লোকগীতৰ বিষয়বস্তু অনুযায়ী গীতসমূহক ভালে কেইটা উপ-শাখাত বিভাজিত কৰিব পাৰি। এই প্ৰসঙ্গত গোৱালপৰীয়া লোকগীতৰ বিষয়ে চমুকৈ আলোচনা কৰি ইয়াৰ শ্ৰেণী বিভাজন সম্পৰ্কে কিছু কথা উল্লেখ কৰা হ'ল।

১.৪.১ গোৱালপৰীয়া লোকগীত

গোৱালপৰীয়া লোকগীত অসমীয়া লোক-সাহিত্যৰ এক প্ৰধান অঙ্গ। ইয়াৰ পথাৰখন বিচিত্ৰ আৰু বিশাল। গোৱালপৰীয়া লোকসমাজৰ সৌন্দৰ্য চেতনা আৰু আনন্দাভিলাসৰ ধাৰক আৰু বাহক স্বৰূপ লোকগীতসমূহৰ ভূমিকা অবিস্মৰণীয়। গোৱালপৰীয়া লোকগীতৰ ভিতৰত বিভিন্ন পূজা-পাৰ্বণৰ গীত, যেনে— মদন-কামৰ গীত, কাতি পূজাৰ গীত, যকা গীত; প্ৰেমমূলক গীত, যেনে— মাহুত বন্ধুৰ গীত, মুইছালৰ গীত, বাইছাল গীত, ইয়াৰ উপৰি ভাৱাইয়া গীত, কুশান গান, কালাৰ গান আদিয়ে গোৱালপৰীয়া লোকগীত তথা অসমীয়া লোকগীতৰ ভঁৰাল সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিছে। এই প্ৰসঙ্গত গোৱালপৰীয়া মৌখিক সাহিত্যৰ ৰেখাচিত্ৰ উল্লেখ কৰা হৈছে—



উল্লিখিত শ্রেণী বিভাজনৰ আধাৰত আলোচনা কৰিলে দেখা যায়— আমাৰ আলোচ্য গীতটি 'মুইছাল গীত'ৰ অন্তৰ্গত। মৈছালৰ গীতটোৱে আমাৰ মনত বোধ জন্মায় যে এই গীতৰ ভাববস্তু ম'হ চৰোৱা ব্যক্তি আৰু প্ৰেমিক বা পত্নীৰ লগত জড়িত। তাহানিৰ পৰাই ম'হ চৰাবলৈ এক শ্ৰেণীৰ মানুহক নিয়োগ কৰা হৈছিল। তেওঁলোকে অতি কষ্টেৰে অৰ্থাৎ ৰ'দ, বতাহ, বৰষুণক নেওচি চৰণীয়া পথাৰত ম'হ চৰায়। তেওঁলোকৰ প্ৰিয়তমা পত্নী অথবা প্ৰেয়সীৰ হিয়াত উগুল-থুগুল ভাব, বিৰহ-বেদনা, হিয়াৰ আশা-আকাঙ্ক্ষাৰ বোজা কিছুমান গীতৰ মাজেৰে প্ৰকাশ পায়। সাধাৰণতে এনে ধৰণৰ ভাবযুক্ত গীতবোৰেই লোক সমাজত মৈছালৰ গীত ৰূপে পৰিচয় লাভ কৰিছে। বিহুগীত, বনগীতৰ দৰেই এই গীতবোৰো প্ৰেমৰ গীত আৰু কিছুমান গীতত পাৰিবাৰিক জীৱনৰ কৰুণ পৰিৱেশ, মৈছাল বন্ধুৰ পৰকীয়া প্ৰেমৰ ৰসাল চিত্ৰ প্ৰকাশ পায়। এই গীতবোৰ প্ৰধানকৈ শৃঙ্গাৰ আৰু কৰুণ ৰসেৰে ভৰা। গীতবোৰত যিদৰে মিলনৰ তীব্ৰ আকাঙ্ক্ষা প্ৰকাশিত হৈছে তেনেদৰে হৃদয়-বিদাৰক বিচ্ছেদ-বেদনাৰ প্ৰতিচ্ছবিও ফুটি উঠিছে। তলত আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্গত গীতটিৰ মূলপাঠ দি তাৰ সাধাৰণ আলোচনা আগবঢ়োৱা হ'ল।

১.৪.২ মুইছালৰ (মুইষাল) গীতটিৰ মূল পাঠ

অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই,
দালা (দোলা) সাজাও দালা সাজাও
চল মৈছাল বাতানেতে যাই।
আমাৰ বাৰীত যাইস মুইছাল ৰে,
মুইছাল বইসতে দিবৰে পীৰা;
খাইতে দিব পাণ চুপাৰি
বাটা ভৰা গুৱা; মুইছাল ৰে।
আমাৰ বাৰীত যাইস্ মুইছাল ৰে
মুইছাল খাইতে দিবৰে চিকণ চিৰা;
গোৱালপুৰীয়া টেঙা দৈ
গৌৰীপুৰেৰ মালভোগ কলাৰে।

১.৪.৩ মুইছাল গীতটিৰ সাধাৰণ আলোচনা

গোৱালপৰীয়া মুইছালৰ *অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই* গীতটিৰ মাজেৰে এগৰাকী প্ৰেমিকাৰ মৰ্মস্পৰ্শী আশা-আকাঙ্ক্ষা, বিৰহ-বেদনা, মনৰ অপূৰ্ণ বাসনা, ঈপ্সিত জনৰপ্ৰতি ব্যাকুলতা প্ৰকাশ পাইছে। ইয়াত মুইছাল বন্ধুৰ প্ৰতি প্ৰেম নিবেদন কৰা এগৰাকী নাৰীৰ আকুল আহ্বান প্ৰতীয়মান হৈছে। উল্লেখনীয় যে *অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই*

শীর্ষক গীতৰ মাজেৰে গোৱালপৰীয়া লোকসমাজৰ ধর্ম-কর্ম, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সমাজ ব্যৱস্থাৰ লগতে অর্থনৈতিক, ৰাজনৈতিক দিশ আদিৰ আভাস পাব পাৰি।

মুইছালৰ গীতটিত প্রেম-বিৰহত কাতৰা এগৰাকী নাৰীয়ে মৈছাল বন্ধুৰ সৈতে দোলাত উঠি বাথানলৈ যোৱাৰ কাতৰ অনুৰোধ জনাইছে—

"দালা (দোলা) সাজাও দালা সাজাও
চল মৈছাল বাতানেতে যাই।"

নাৰী হৃদয়ৰ আশা-আকাঙক্ষা, মনৰ অপূর্ণ বাসনা, ঈপ্সিতজনৰ প্রতি ব্যাকুলতা, সঙ্গ লাভৰ তাড়না, উৎকণ্ঠা আৰু প্রেম নিবেদনৰ ইঙ্গিত প্রকাশ পাইছে। এগৰাকী অনামিকা নাৰীয়ে অন্তৰত একুৰা কামনা-বাসনাৰ জুইৰ জ্বালা দিনে-নিশাই সহি আছে, নিৰাময় কৰিব পৰা নাই। প্রেয়সীয়ে প্রেমৰ উন্মুক্ত জ্বালা সহ্য কৰিব নোৱাৰি প্রিয়জনৰ সান্নিধ্য পাবলৈ ৰৈ মৈছাল বন্ধুক নিজৰ ঘৰলৈ মাতিছে। প্রাণপ্রিয়াক কিদৰে কেনেকৈ আদৰ-যতন কৰিব, সেয়া এনেদৰে ব্যক্ত কৰিছে—

"আমাৰ বাৰীত যাইস মুইছাল ৰে,
মুইছাল বইসতে দিবৰে পীৰা।"

গোৱালপৰীয়া লোকগীতত তামোল-পাণৰ বিশেষ স্থান আছে। সাধাৰণ মানুহৰ দৈনন্দিন জীৱনতেই নহয়, সামাজিক, সাংস্কৃতিক, মাঙ্গলিক আদি অনুষ্ঠানৰ লগতো তামোল-পাণ ওতঃপ্রোতভাবে জড়িত হৈ আছে। নাৰী মনৰ খেদ-বিলাপ তথা সাদৰ-সম্ভাষণ আদি প্রকাশত তামোল-পাণে বিশেষভাৱে ভূমিকা গ্রহণ কৰিছে। মুখ শুদ্ধিৰ কাৰণে তামোল-পাণ, গুৱা আদি বঁটাত দি আলহী-অতিথিক অভ্যর্থনা কৰা কার্য্যই লোক সমাজৰ লোকাচাৰ স্বতঃস্ফূর্তভাৱে প্রকাশ পাইছে। কামাতুৰা সঙ্গহীন নাৰীয়ে জীৱনসঙ্গী মৈছাল বন্ধুক লগ পোৱাৰ কাৰণে এনেদৰে তামোল-পাণেৰে অভ্যর্থনা কৰিব বিচাৰিছে—

"খাইতে দিব পাণ চুপাৰি
বাটা ভৰা গুৱা, মুইছাল ৰে।"

সাধাৰণতে লোক সমাজৰ এগৰাকী নাৰীয়ে আপোনজনক বিভিন্ন সুস্বাদু খাদ্যৰে আপ্যায়ন কৰি অন্তৰত পৰম তৃপ্তি লাভ কৰে। গোৱালপৰীয়া মৈছাল গীতটিত নাৰীগৰাকীয়ে প্রিয়জন অর্থাৎ মৈছাল বন্ধুক নিজ হাতেৰে তৈয়াৰ কৰা চিকণ চিৰা, গোৱালপৰীয়া টেঙা দৈ খাবলৈ দিব। নাৰীগৰাকীৰ হৃদয়ৰ সেই মনোবাঞ্ছা এইদৰে ব্যক্ত হৈছে—

"আমাৰ বাৰীত যাইস মুইছাল ৰে,
মুইছাল খাইতে দিবৰে চিকণ চিৰা;
গোৱালপুৰীয়া টেঙা দৈ।"

গোৱালপৰীয়া বিশেষকৈ গৌৰীপুৰৰ মালভোগ কল বিশেষভাৱে উল্লেখনীয়। প্রেম-কাতৰা প্রেয়সীগৰাকীয়ে বিৰহৰ দাবানল শান্ত কৰিবলৈ প্রিয়জনক নিজ হাতেৰে তৈয়াৰ কৰা চিকণ চিৰা, টেঙা দৈ আৰু যতনাই থোৱা বাৰীৰ পকা মালভোগ কলেৰে

প্রাণপ্রিয়াক এসাঁজ খোৱাৰ প্ৰৱল হেঁপাহ মনত সাঁচি ৰখা কার্য্যই যেন গীতটিক অধিক আকর্ষণীয় কৰি তুলিছে।

মুইছালৰ গীতটি বিশ্লেষণ কৰিলে দেখা যাব যে এই গীতৰ মাজেৰে প্ৰধানভাৱে শৃঙ্গাৰ আৰু কৰুণ ৰস ফুটি উঠিছে। এগৰাকী নাৰী দেহ-মনৰ প্ৰৱল অনুভূতি আৰু হিয়াভগা বিৰহ-বেদনাত কাতৰ হৈছে। নাৰীৰ ৰূপ-সৌন্দর্য্য, যৌৱন থাকিলেও সঙ্গীবিহীন জীৱনৰ কোনো সার্থকতা নাই, কোনো মাদকতা নাই। ই নিষ্প্ৰভ, নিষ্প্ৰাণ। যৌৱন ভৰা এগৰাকী যুৱতী নাৰীয়ে বিৰহ-বেদনাত কাতৰ হৈ মুইছাল বন্ধুক আহ্বান জনোৱা কার্য্যই কাৰুণ্যসিক্ত কৰি তুলিছে।

গোৱালপৰীয়া লোকগীতটোৰ লগত পৰিৱেশনৰ কথা জড়িত হৈ আছে। গোৱালপৰীয়া লোকগীত পৰিৱেশনত নিজস্ব গায়ন পদ্ধতি আছে। লোকগীতৰ সমালোচক সকলে গোৱালপৰীয়া গীতৰ গায়ন পদ্ধতিক বিভিন্ন ধৰণে শ্ৰেণী বিভাজন কৰিছে। ধীৰেন দাসে গোৱালপৰীয়া লোকগীতৰ সুৰক চাৰিটা শ্ৰেণীত ভাগ কৰি এনেদৰে দেখুৱাইছে— (ক) ভাওৱাইয়া, ভাসান বা চিতান, (খ) চট্‌কা, (গ) মইষালী, (ঘ) চৰুৱা।

অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই গীতটি মইষালী সুৰত গোৱা হয়। গীতটো আবেগধর্মী, ৰসৰ ফালৰ পৰা শৃঙ্গাৰ আৰু কৰুণ ৰস প্ৰধান। তদুপৰি মনৰ ৰাগ-অনুৰাগ, প্ৰেম-মিলন আদি ভাৱনাৰে এই গীতটি সমৃদ্ধ। গীতটোৰ মাজেৰে ব্যক্তিৰ ৰুচিবোধ, দৈহিক সৌন্দর্য্য আৰু সামাজিক জীৱনধাৰাৰ ইঙ্গিত প্ৰকাশ পাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মৈছাল গীতৰ চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত লিখক।)

১.৫ *মোৰ বাছা দূৰকে নাযাইবা এ*

অসমীয়া লোকগীতৰ আঞ্চলিক শ্ৰেণী বিভাজনত কামৰূপী আৰু গোৱালপৰীয়া গীতৰ ইতিমধ্যে উল্লেখ কৰা হৈছে। এতিয়া আমি এটি কামৰূপীয়া লোকগীতৰ আলোচনাৰ প্ৰসঙ্গত কামৰূপীয়া লোকগীতৰ কিছু আলোচনাৰ প্ৰয়োজনীয়তাবোধ কৰি সেই বিষয়ৰ লগতে উল্লিখিত গীতটিৰ বিষয়ে আলোচনা আগবঢ়াবলৈ লৈছোঁ।

১.৫.১ কামৰূপী লোকগীত

অসমীয়া লোকগীতৰ ভিতৰত কামৰূপী লোকগীত উল্লেখযোগ্য। লোকগীতৰ বিষয়বস্তু উপস্থাপনৰ কৌশল, পৰিৱেশনশৈলী আৰু ভাষিক পার্থক্য আদি দিশৰ পৰা কামৰূপী লোকগীত বৈচিত্র্যময়। কামৰূপী লোকগীতত অসমৰ পূব আৰু পশ্চিম অঞ্চলৰ

লোকগীতৰ সুৰ-লয়ৰ বৈশিষ্ট্য মিহলি হৈ আছে আৰু ইয়াৰ লগত সত্রীয়া সঙ্গীত আৰু থলুৱা ওজাপালি সঙ্গীতৰ সুৰ তথা কিছু উপাদান সম্পৃক্ত হৈ পৰিছে।

কামৰূপী লোকগীত ভক্তিমূলক, ধর্মনিৰপেক্ষ, কিংবদন্তিমূলক, বুৰঞ্জীমূলক আদি নানা ধাৰাৰ গীতৰ সমাহাৰেৰে যুক্ত। কিন্তু অধিকাংশ কামৰূপী লোকগীতৰে বিষয়বস্তু অসমৰ বৈষ্ণৱ ধর্মৰ গীত-মাতৰ ওচৰ চপা যদিও সামগ্রিক দিশত গীতৰ কিছু বিষয়-বৈচিত্র্য তাৎপর্যপূর্ণ আৰু মন কৰিবলগীয়া। গীতবোৰ সুৰধর্মী আৰু লৌকিক ৰস সম্পৃক্ত হৈ গীতসমূহক আকর্ষণীয় কৰি তুলিছে। এই লোকগীতবোৰ লোক জীৱনৰ চিত্র, নৈসর্গিক চিত্র আৰু আলঙ্কাৰিক প্রয়োগেৰে সু-সমৃদ্ধ। কামৰূপী লোকগীতক বিভিন্ন শাখা-উপশাখাত বিভাজন কৰি আলোচনা কৰিব পাৰি। এনে এটি শ্রেণী বিভাজন 'গোপী-কৃষ্ণৰ নাম'। আমাৰ পাঠ্যক্রমৰ অন্তর্গত *মোৰ বাছা দূৰকে নাযাইবা এ* গীতটি গোপী-কৃষ্ণ নাম ধাৰাটিৰ ভিতৰুৱা। গোপী-কৃষ্ণৰ নাম গীতবিলাক ভগৱান শ্রীকৃষ্ণই বৃন্দাবনত প্রদর্শন কৰা লীলা আৰু গোপীসকলৰ লগত কৃষ্ণৰ অকৃত্রিম সম্পর্কৰ আধাৰত ৰচিত। হেমন্ত কুমাৰ শর্মাই 'গোপী-কৃষ্ণৰ নাম' গীতৰ বিষয়বস্তু অনুসৰি গীতবোৰক দুই শ্রেণীত বিভাজন কৰিছে— (ক) শিশুলীলাৰ গীত আৰু (খ) গোপীবিলাপৰ গীত।

শিশুলীলাত প্রকাশ পাইছে 'শ্রীকৃষ্ণৰ শিশুসুলভ কার্যকলাপ, যশোদাৰ শ্রীকৃষ্ণৰ প্রতি মৰম-চেনেহ, কেতিয়াবা পুত্র শাসনৰ কঠোৰ ভাব আৰু তাৰ কাৰণে কৃষ্ণৰ দুখ, অভিমান, কৃষ্ণৰ বিচ্ছেদত যশোদাৰ বিষাদ-বিননি আদি।' দ্বিতীয় ভাগত অর্থাৎ গোপীবিলাপৰ গীতত 'গোপীসকলৰ বিশেষকৈ ৰাধাৰ লগত শ্রীকৃষ্ণৰ প্রেম-পিৰিতিৰ চিত্র সুন্দৰভাৱে অঙ্কিত হৈছে। অসমীয়া বৈষ্ণৱ সাহিত্যত ৰাধাৰ স্থান একেবাৰে গৌণ।'

গোপী-কৃষ্ণৰ নামৰ গীতবিলাকৰ শেষত ৰচয়িতাৰ ভণিতা পোৱা যায়। কৃষ্ণৰ শিশুলীলা গীতৰ বিষয়বস্তুৰ হো�ৱাৰ লগতে সুপ্রসিদ্ধ গীতিকাৰ আৰু সুকণ্ঠী গায়ক মাধৱদেৱৰ নামৰ ভণিতা পোৱা যায়।

আপুনি মন কৰিব যে মাধৱদেৱ ৰচিত ঝুমুৰা আৰু বৰগীতসমূহতো শ্রীকৃষ্ণৰ শিশুলীলাৰ বিষয়ে বর্ণনা আছে। ইয়াৰ বাবেই শিশুলীলা গীতবোৰ অসমীয়া বৈষ্ণৱ সাহিত্যৰ দ্বাৰা যথেষ্ট প্রভাৱান্বিত হৈছে। আনহাতে, গোপীবিলাপ গীতত বৈষ্ণৱ সাহিত্যই বিশেষ স্থান লাভ নকৰা বঙ্গীয় ৰাধা চৰিত্রই বঙ্গীয় বৈষ্ণৱ সাহিত্যত বিশেষভাৱে গুৰুত্ব পাইছে। বঙ্গীয় বৈষ্ণৱ সাহিত্যত কৃষ্ণৰ লগতে ৰাধাকো বিশেষ আসন দিয়া হৈছে। ৰাধা-কৃষ্ণৰ প্রেমলীলা বঙ্গীয় বৈষ্ণৱ সাহিত্যৰ এক বিশিষ্ট অঙ্গ। উত্তৰ-বৈষ্ণৱ যুগৰ ভালেমান অসমীয়া কবি ৰাধা-কৃষ্ণৰ প্রেমলীলাজনিত মধুৰ ৰসত আপ্লুত হোৱা দেখা যায়। আমাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত গীতটিৰ মূল পাঠ উল্লেখ কৰি তাৰ এটি আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

১.৫.২ গীতটিৰ মূল পাঠ

মোৰ বাছা দূৰকে নাযাইবা এ
ধেনু চাৰিবা ধেনু ৰাখিবা মই চাই থাকিবো ঘৰে।
দূৰকে গলেহে কংসই হৰিব
নটুৱা কাণাই মোৰে।।
অন্যৰ বাছাহে ডাঙৰ দীঘল
মোৰে ৰামকানু সৰু।।
ইটো বৃন্দাবনে পক্ষীও নচৰে
অকলই চৰাব ধেনু।
নাঙলাৰ মূৰৰে তেলি কদম ডালি
তাতে উঠি বাইবা বেণু।
খৰিকা জহাৰে অন্ন ৰান্ধি দিবো
দুই ভাই বাটিয়া খাইবা,
সোণা সুবর্ণৰে বাঁশী গঢ়াই দিবো
দুৱাৰে বসিয়া বাইবা।।
কাণ চাই দিবো কাণৰ কুণ্ডল
হাত চাই দিবো খাৰু,
গল চাই দিবো গলে হেমহাৰ
কোচ ভৰাই দিবো লাৰু।
কহয় মাধৱে শুনা যশোমতী
ই পুত্র নোহে তোমাৰ।
কহে লক্ষ্মীপতি ঘৰে শ্রীপতি
তাহাতে গতি-আমাৰ।।

১.৫.৩ গীতটিৰ সাধাৰণ আলোচনা

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে ‘গোপী-কৃষ্ণৰ নাম’ৰ শিশুলীলাৰ গীত ধাৰাটিত কৃষ্ণৰ প্রতি মাতৃ যশোদাৰ বিভিন্ন ভাবানুভূতিৰ চিত্র ফুটাই তোলা হৈছে। আমাৰ আলোচ্য *মোৰ বাছা দূৰকে নাযাইবা এ* গীতটি এই ধাৰাটিৰ অন্তর্ভুক্ত। গীতটোৰ মূল ভাব এনে ধৰণৰ— মাতৃ যশোদাই কৃষ্ণক ধেনু চৰাবলৈ দূৰলৈ যাবলৈ দিব বিচৰা নাই। যশোদাই চকুৰ আগত গৰু চৰাবলৈ কৈছে, যাতে তেওঁ পুত্র কৃষ্ণক চাই থাকিব পাৰে, কিয়নো দূৰলৈ গৰু চৰাবলৈ গ’লে কংসই কৃষ্ণক বধ কৰিব পাৰে। কানাই কৃষ্ণ আন গৰখীয়াতকৈ সৰু। গতিকে পক্ষীয়ে বিচৰণ নকৰা বৃন্দাবনত বালক শ্যামকানুৰে

অকলে কেনেকৈ গৰু চৰাব, তাকে লৈ মাতৃ যশোদাই শঙ্কিত হৈছে। বৃন্দাবনলৈ যোৱাৰ পৰিৱর্তে পুত্রক কদম গছত উঠি বাঁহী বজোৱাৰ কথা কৈছে। কৃষ্ণই ভালপোৱা অন্ন আৰু আ-অলঙ্কাৰৰ কথা যশোদাই উল্লেখ কৰিছে— যশোদাই খৰিকা জহাৰে অন্ন-ব্যঞ্জন ৰান্ধি সেই অন্ন-ব্যঞ্জন কৃষ্ণ আৰু বলোৰাম দুয়োকো খাবলৈ আহ্বান জনাইছে। বাঁহী বজাবলৈ সোণৰ বাঁহী গঢ়াই দিয়া, কাণত পিন্ধিবলৈ কুণ্ডল, হাতত খাৰু, গলত হেমহাৰ লগতে খাবলৈ লাড়ু আদিও যশোদাই দিব বিচাৰিছে। তথাপি প্রাণৰ মণি কৃষ্ণই গৰু চৰাবলৈ বৃন্দাবনলৈ যাব নালাগে। সেয়েহে মাধৱে কৈছে যে কৃষ্ণ তোমাৰ পুত্র নহয়, জগত তথা সকলোৰে গৰাকী। গতিকে তেওঁৰ চৰণতেই আমাৰ গতি, তাত বাহিৰে অন্য একো উপায় নাই।

শিশুলীলাৰ গীতসমূহ শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ সম্পর্ক আৰু কার্য্যাৱলীৰ আধাৰতেই ৰচিত। যশোদাৰ একমাত্র পুত্র কৃষ্ণৰ শৈশৱ কালৰ বিচৰণ স্থল বৃন্দাবন। বৃন্দাবনৰ প্রকৃতিৰ নানা বৈচিত্র্যময় ৰূপৰ মাজত কৃষ্ণই ৰং-ধেমালি কৰি ডাঙৰ-দীঘল হৈছিল। শিশু কৃষ্ণৰ প্রতি মাতৃ যশোদাৰ হৃদয়ত অকৃত্রিম মৰম-চেনেহ এই গীতটিত প্রকাশ পাইছে। শিশু কৃষ্ণ মাতৃ যশোদাৰ হিয়াৰ আমঠু। শিশু কৃষ্ণই গৰু চৰাবলৈ বৃন্দাবনলৈ যাব বিচৰাত মাতৃ যশোদাৰ হৃদয় যেন ভয় আৰু শঙ্কাৰে ভৰি পৰিছে, কিয়নো বৃন্দাবলৈ গ'লে কংসই একমাত্র আলাসৰ লাড়ু কৃষ্ণক বধ কৰিব। সেই ভয়তে মাতৃ যশোদাই কৃষ্ণক এনেদৰে বাধা দিছে—

"মোৰ বাছা দূ�ৰকে নাযাইবা এ,
ধেনু চাৰিবা ধেনু ৰাখিবা মই চাই থাকিবো ঘৰে।
দূৰকে গলেহে কংসই হৰিব।"

মোৰ বাছা দূৰকে নাযাইবা এ গীতটোৰ মাজেৰে মাতৃ যশোদাৰ শিশু কৃষ্ণৰ প্রতি প্রদর্শন কৰা আচৰণৰ দ্বাৰা বাৎসল্য প্রীতি প্রকাশ পাইছে। মাধৱদেৱৰ বিৰচিত অনেক গীতত বাৎসল্য ৰস দেখিয়েই বিৰিঞ্চি কুমাৰ বৰুৱাই এনেদৰে মত পোষণ কৰিছে— "শিশু কৃষ্ণৰ লগত মাতৃৰ অপূর্ব পৰিচয় আছে। আত্মবিলাপেই হৈছে মাতৃত্বৰ চৰম নিদর্শন। সেই কাৰণেই মাতৃ হৈও শিশু কৃষ্ণৰ আখ্যানত যশোদা চৰিত্র পটভূমিতে আছে। বাৎসল্য ৰসতে যশোদাৰ সত্তা ডুব গৈ আছে। সন্তান বিনা মাকৰ স্বাধীন অস্তিত্ব নাই। কৃষ্ণই যশোদাৰ নয়ন উৎসৱ আনন্দ কুসুম সাৰ।"

বালক কৃষ্ণই মাতৃ যশোদাৰ একমাত্র আশাৰ ভৰসা। কৃষ্ণক কেন্দ্র কৰিয়েই যশোদাৰ অন্ত স্থলগত বর্তি আছে। সাধাৰণ মাতৃৰ দৰে মাতৃ যশোদাই কৃষ্ণক পুত্র হিচাপে পাই লালন-পালন কৰিছে। মন কৰিবলগীয়া যে বৃদ্ধাৱস্থাত কৃষ্ণক পুত্র হিচাপে লাভ বাবে কৃষ্ণৰ প্রতি অগাধ মৰম-চেনেহ উপজিছে। সেয়ে গৰু চৰাবলৈ প্রাণমণি কৃষ্ণক বৃন্দাবনলৈ যাবলৈ দিব বিচৰা নাই। নন্দ-যশোদাৰ বাৰীতে গৰু চৰাবলৈ কৃষ্ণক আহ্বান জনাইছে, যাতে তেওঁক তেওঁৰ মাতৃয়ে চাই থাকিব পাৰে, কাৰণ বৃন্দাবনলৈ গ'লে

মোমায়েক কংসই কৃষ্ণক বধিব পাৰে। সাধাৰণ মাতৃ এগৰাকীৰ দৃষ্টিত নিজৰ সন্তান আনৰ সন্তানতকৈ শ্ৰেষ্ঠ, তেনে মনোভাৱ মাতৃ যশোদাৰ চৰিত্ৰত ফুটি উঠিছে। আনৰ ল'ৰাক ডাঙৰ দেখা আৰু নিজৰ ল'ৰা কৃষ্ণক এটি বালক জ্ঞান কৰাতো যশোদাৰ নিচিনা পুত্ৰগতপ্ৰাণা মাতৃৰ বাবে স্বাভাৱিক কথা আছিল। সেয়েহে তেওঁ কৃষ্ণক অকলে বৃন্দাবনত গৰু চৰাবলৈ যাব নালাগে বুলি খেদ প্ৰকাশ কৰিছে— "ইটো বৃন্দাবনে পক্ষীও নচৰে, অকলই চৰাব ধেনু।" শিশু বালক কৃষ্ণৰ নানা খাদ্যৰ প্ৰতি লোভ-লালসাৰ কথা জানিব পাৰিয়েই মাতৃ যশোদাই খৰিকা জহাৰে সুস্বাদু অন্ন ৰান্ধি দিব বিচাৰিছে। তথাপি গৰু চৰাবলৈ যাব নালাগে, বলোৰামৰ সৈতে বাটি ভৰাই পৰম তৃপ্তিৰে অন্ন খোৱাৰ কাৰণে অনুৰোধ কৰিছে। কেৱল ইমানেই নহয়, কদম গছত উঠি বাঁহী বজোৱাৰ কথাও উল্লেখ কৰিছে। কেনেদৰে অন্ন ব্যঞ্জন ৰান্ধি দিব তাৰ বৰ্ণনা কবিয়ে এনেদৰে দিছে—

"খৰিকা জহাৰে অন্ন ৰান্ধি দিবো
দুই ভাই বাটিয়া খাইবা।"

কৃষ্ণৰ বাঁহীৰ প্ৰতি বিশেষ দুৰ্বলতা তথা আকৰ্ষণ বেছি। মাতৃ যশোদাই তাৰ সুযোগ ল'ব বিচাৰিছে। সেয়েহে যশোদাই সোণেৰে বাঁহী গঢ়াই দিয়াৰ কথা গীতটিত উল্লেখ কৰিছে—

"সোণা সুবৰ্ণৰে বাঁশী গঢ়াই দিবো
দুৱাৰে বসিয়া বাইবা।"

যশোদাৰ সত্তা বাৎসল্য ৰসত ডুব গৈ আছে। শিশু কৃষ্ণ বিনে যেন যশোদা অস্তিত্বহীন। কৃষ্ণ বিনে এটি ক্ষণো যশোদাই থাকিব পৰা নাই। কৃষ্ণই ভালপোৱা আ-অলঙ্কাৰ, সাজ-পোছাক, খাদ্যাদি এই সকলোবোৰ কৃষ্ণক ওপচাই দিব বিচাৰিছে—

"কাণ চাই দিবো কাণৰ কুণ্ডল
হাত চাই দিবো খাৰু,
গল চাই দিবো গলে হেমহাৰ
কোচ ভৰাই দিবো লাৰু।"

গীতৰ শেষত কৃষ্ণ যে কেৱল বালকেই নহয়, তেওঁ যে ত্ৰিজগতৰ পতি, লক্ষ্মী পতি, তেওঁৰ বিনে কাৰো গতি নাই, সেই কথা মাধৱে মাতৃ যশোদাক উদ্দেশ্য এনেদৰে কৈছে—

"কহয় মাধৱে শুনা যশোমতী
ই পুত্ৰ নোহো তোমাৰ।
কহে লক্ষ্মীপতি ঘৰে শ্ৰীপতি
তাহাতে গতি আমাৰ।"

কৃষ্ণই সমস্ত জগতৰ গৰাকী। তেওঁ বিনে আন কোনো নাই। তেৱেঁই সমস্ত জীৱজগতৰ সাৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ গোপী কৃষ্ণৰ গীত কি শ্রেণীৰ গীতৰ অন্তর্গত? এই শ্রেণীৰ গীতত যশোদাৰ বিশিষ্ট ভূমিকা কি? (১৫০টা শব্দ ভিতৰত লিখক।)

১.৬ *জীৱৰ সাৰথি নাম*

আমাৰ পাঠ্যবিষয়ৰ অন্তর্ভুক্ত *জীৱৰ সাৰথি নাম* গীতটি এটি জিকিৰ। আপুনি নিশ্চয় জানে যে আৰব দেশৰ বাগদাদৰ পৰা অসমলৈ অহা আজান ফকীৰে ইছলাম ধর্ম প্রচাৰৰ কাৰণে অসমীয়া গীতৰ সুৰেৰে কিছুসংখ্যক গীত ৰচনা কৰিছিল। সেইসমূহেই জনসমাজত জিকিৰ নামে পৰিচিত হ'ল। গীতটি বিশ্লেষণ কৰা পূর্বে আজান ফকীৰ আৰু জিকিৰ সম্পর্কে কিছু আলোচনা কৰাৰ প্রয়োজনীয়তা আছে। সেয়ে এই সম্পর্কে এটি আলোচনা আগবঢ়োৱা হ'ল।

১.৬.১ কবি পৰিচয়

অসমত প্রচলিত অধিকাংশ জিকিৰৰ ৰচক আজান ফকীৰ। আজান ফকীৰৰ প্রকৃত নাম ছাহমিলান বা ছাহমিৰাণ। আজান ফকীৰ কেতিয়া অসমলৈ আহিছিল, সেই সম্পর্কে খাটাংকৈ কোৱা টান। মহেন্দ্র বৰাই উল্লেখ কৰিছে— "আজান ফকীৰ সপ্তদশ শতিকাৰ আগভাগত আৰবীয় দেশৰ বাগদাদৰ পৰা ভায়েক নবীজানৰ সৈতে ইছলাম ধর্মৰ বাণী প্রচাৰ কৰিবলৈ অসমলৈ আহিছিল।" কিন্তু কেইবাটাও জিকিৰৰ ৰচনা কাল সম্পর্কে পৰস্পৰবিৰোধী ভণিতা পোৱা যায়—

'দহশ দুকুৰি নবী চন হিজিৰি
আৰু পাঁচে বছৰ যায়।
ছাহমিলানে এই জিকিৰ কৰিলে
কোৰান কিতাবত পাই।'

'দহশ দুকুৰি নবী চন হিজিৰি
আৰু পাঁচে বছৰ যায়।
আজান ফকীৰে এই জিকিৰ কৰিলে
হাদীছ ফোকাহত পাই।'

'এঘাৰ শ দুকুৰি নবীচন হিজিৰি
আকৌ পাঁচে বছৰ যায়।
ছাহমিৰানে এই জিকিৰ কৰিলে
কোৰান কিতাবত পাই।'

জিকিৰৰ আলোচকসকলে প্ৰথম জিকিৰটিত উল্লেখ থকা পাঠখিনিকে সঠিক বুলি বিবেচনা কৰে। জিকিৰটোৰ আধাৰত দেখা যায় ইয়াৰ ৰচনা কাল ১০৪৫ হিজিৰি। অৰ্থাৎ জিকিৰৰ সমীক্ষক চৈয়দ আব্দুল মালিকে ১৬৩৪-৪৫ চন বুলি মত পোষণ কৰিছে। ইয়াৰ পৰা ভাবিব বা অনুমান কৰিব পাৰি যে ১৬২৫ খৃঃৰ পৰা ১৬৩৬ খ্ৰীঃৰ ভিতৰত আজান ফকীৰে অসমত প্ৰৱেশ কৰিছিল। কিন্তু এটা উল্লেখনীয় বিষয় যে ইংৰাজী দিনপঞ্জী আৰু ইছলামী দিনপঞ্জীৰ মাজত ব্যৱধান অনেক।ইছলামী দিনপঞ্জীৰ ৩৬ বছৰৰ মূৰে মূৰে এবছৰকৈ হিজিৰি বৰ্ষৰ বৃদ্ধি হয়। সেই হিচাপ মতে ৬২২ খৃষ্টাব্দৰ পৰা আৰম্ভ হোৱা হিজিৰি বৰ্ষৰ দিনপঞ্জীখন ১০৪৫ হিজিৰি চনত ১৬৩৮ খ্ৰীষ্টাব্দ হ'ব। গতিকে ধাৰণা হয় আজান ফকীৰে ১৬৩৮ খ্ৰীষ্টাব্দত জিকিৰ ৰচনা কৰে। এনে ধৰণৰ চন বা হিজিৰিৰ পৰা এইটো ক'ব পৰা যায় ফকীৰ চাহাবে সপ্তদশ শতিকাৰ আগভাগতেই অসমত ভৰি দিছিল। বুৰঞ্জীৰ তথ্য অনুসৰি এইটো প্ৰমাণিত হয় যে গদাধৰ সিংহৰ ৰাজত্ব কালত আজান ফকীৰ ভায়েক নবীজানৰ সৈতে অসমলৈ অহাটো নিশ্চিত।

আজান ফকীৰ অসমলৈ আহিয়েই অসমীয়া মাত-কথা শিকি হাড়ে-হিমজুৰে অসমীয়া হৈ পৰিল। উল্লেখনীয় যে তেওঁ অসমলৈ অহাৰ পূৰ্বে অসমত মুছলমান মানুহ আছিল যদিও ইছলামীয় নীতি-নিয়ম সঠিকভাৱে পালন কৰা নাছিল, তাৰ পৰিৱৰ্তে থলুৱা আচাৰ-নীতিহে অনুসৰণ কৰিছিল। এনে মুছলমানসকলক একত্ৰিত কৰি নামাজ পঢ়িবলৈ আহ্বান জনাই 'আজান' দিয়া বাবে তেওঁৰ নাম 'আজান ফকীৰ' হ'ল। চুফী সাধক আৰু ধৰ্মপ্ৰাণ লোক কাৰণে তেওঁ 'পীৰ' উপাধি পাইছিল।

সপ্তদশ শতিকাৰ আগভাগত অসমলৈ আহি তেওঁ কামৰূপ জিলাৰ হাজো অঞ্চলত কিছুদিন থিতাপি লয়। জনসমাজত বিশ্বাস আছে যে তেওঁৰ গাত হজৰত ৰছুল মহম্মদৰ তেজ আছিল। আজান ফকীৰৰ ভায়েক নবীজানৰ সৈতে নাৰেৰে উজাই গৈ শিৱসাগৰৰ গড়গাঁও পায়গৈ। তেওঁ থলুৱা অসমীয়া ভাষা-কলা-সংস্কৃতি শিকি তথা গ্ৰহণ কৰি অসমীয়া লোকগীত, বৰগীত, দেহবিচাৰৰ গীতৰ আৰ্হিত সহজ-সৰল অসমীয়া ভাষাত জিকিৰসমূহ ৰচনা কৰি ইছলাম ধৰ্মীয় তাত্ত্বিক বাণীসমূহ প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। তেওঁ কেৱল ইছলামৰ বাণী প্ৰচাৰ কৰাতেই ক্ষান্ত থকা নাছিল,ইয়াৰ উপৰি মানৱতা, সমতা, সম্প্ৰীতি আৰু ভ্ৰাতৃত্বৰ ভাৱ মানুহক শিকোৱা তেওঁৰ উদ্দেশ্য আছিল। শঙ্কৰদেৱৰ নামধৰ্মৰ ভক্তিৰ মহিমাৰ কথাও তেওঁ শুনিছিল। তেওঁৰ মনত কোনো ভেদ ভাব অৰ্থাৎ ৰাজসিক আৰু তামসিক প্ৰবৃত্তিগত ভাব নাছিল। আজান ফকীৰে আহোমৰ উচ্চ বংশৰ ছোৱালী বিয়া কৰাই হাড়ে-হিমজুৰে অসমীয়া হোৱাৰ লগতে হিন্দু-মুছলমানৰ মাজত সমতা আৰু ঐক্য প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। তাৰ উল্লেখ জিকিৰ এটিত পোৱা যায়—

"মোৰ মনত আন ভাব নাই এ আল্লা
মোৰ মনত নাই আন ভাব।
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম।"

আজান ফকীৰ চুফী সাধক। তেওঁ অলৌকিক গুণৰ অধিকাৰী আছিল। তেওঁ প্ৰচাৰ কৰা ইছলাম ধৰ্মৰ বাণী শুনি উজনিৰ বহু লোকে তেওঁৰ ওচৰত দীক্ষা লৈছিল, কাৰণ তেওঁ সকলোৰে প্ৰতি সমদৃষ্টি জ্ঞান কৰিছিল, কাকো ভিন-পৰ গণ্য কৰা নাছিল। তেওঁৰ গুণাৱলীৰ প্ৰতি আকৃষ্ট হৈ দৰঙী প্ৰজায়ো দীক্ষা ল'বৰ কাৰণে আমন্ত্ৰণ জনাইছিল। দৰঙী প্ৰজাৰ আমন্ত্ৰণ ৰক্ষা কৰি ভায়েক নবীজানৰ সৈতে তেওঁ তাত উপস্থিত হয়গৈ। সেই সময়ত আহোম ৰজা গদাধৰ সিংহৰ ৰাজত্ব কালত দৰঙী খণ্ডৰ প্ৰভাৱশালী বিষয়া আছিল ৰূপাই দাধৰা। ছাহমিলানৰ প্ৰতি দৰঙী প্ৰজাৰ আকৰ্ষণবোধ আৰু শ্ৰদ্ধা দেখি ৰূপাই দাধৰাই এনে কাৰ্য ভালপোৱা নাছিল। সেয়ে আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ ওচৰত ৰূপায়ে ফকীৰৰ বিৰুদ্ধে গোচৰ দিয়ে। ৰজায়ো আগ-পিছ বিচাৰ নকৰি ৰূপাইৰ কথা মতেই আজান ফকীৰৰ চকু কঢ়োৱাৰ নিৰ্দেশ দিয়ে। ৰজাৰ এই নিৰ্দেশ শুনি আজান ফকীৰে এৱাচৰু খুজি দুহাতত লৈ আল্লাৰ ওচৰত মোনাজাত কৰাৰ লগে লগে চকু দুটা আপোনা-আপুনি এৱাচৰুত সৰি পৰিল। তাহানিৰ পৰা প্ৰচলিত কিংবদন্তি অনুসৰি আজান ফকীৰৰ চকু দুটা দিখৌ নৈৰ পানীত দিয়াৰ লগে লগে দিখৌ নৈৰ পানী উভতি ব'বলৈ আৰম্ভ কৰিলে আৰু স্বৰ্গদেউৰ হোলোংঘৰ কাতি হৈ পৰিল। ৰজাই নিজৰ ভুল বুজিব পাৰি আজান ফকীৰক শ'ৰাগুৰিৰ চাপৰিত মাটি-বাৰী দি মছজিদ নিৰ্মাণ কৰি দিলে আৰু তাতেই আজান ফকীৰে ইহলীলা সম্ভৰণ কৰে।



জানি থোৱা ভাল

ছাৰ এডৱার্ড গেইটৰ 'History of Assam' গ্ৰন্থত গদাধৰ সিংহৰ ৰাজত্ব কাল ১৬৮১-১৬৯৬ আৰু শিৱসিংহৰ ৰাজত্ব কাল খ্ৰীষ্টিয় ১৭১৪-১৭৪৪ , তেওঁ গ্ৰন্থখনত লিখিছে— ''The Mahammadans who had come from Islamic land were engaged in the performance of prayers and fasting, but were forbidden to chant the call to prayer or publicly recite words of God.''

১.৬.২ জিকিৰৰ সাধাৰণ পৰিচয়

আজান ফকীৰে অসমীয়া ভাষাত সহজ-সৰলকৈ ইছলাম ধৰ্মৰ তত্ত্ব, আদৰ্শ, আচাৰ-নীতি তথা আল্লাৰ মহিমাযুক্ত এক শ্ৰেণীৰ ভক্তিমূলক গীত ৰচনা কৰিছিল। সেইবোৰ গীতকেই আমি সাধাৰণতে জিকিৰ বুলি বুজো। জিকিৰ শব্দটো 'জিকৰ' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ আল্লাৰ নাম বাৰে বাৰে উচ্চাৰণ কৰা। ধ্যানৰ সৈতে আল্লাৰ নাম বাৰে বাৰে হৃদয়ৰ পৰা উচ্চাৰণ কৰাকেই জিকিৰ বোলে। জিকিৰবোৰ তত্ত্বগধুৰ আৰু সুৰীয়া।

জিকিৰসমূহৰ মাজত আল্লাৰ শ্ৰেষ্ঠত্বৰ লগতে ইছলাম ধৰ্মৰ মূল আদৰ্শ আৰু শান্তিৰ কথা বৰ্ণনা কৰা হৈছে। আজান ফকীৰ প্ৰকৃততে এগৰাকী সিদ্ধ চুফী সাধক আছিল, যিয়ে ইছলাম ধৰ্মৰ সাৰ কথা বা তত্ত্ব কথা দুৰ্বোধ্য আৰবী ভাষাৰ জালৰ পৰা মুকলি কৰি আনি অসমীয়া মানুহৰ মুখৰ ভাষাৰে প্ৰচাৰ কৰা বাবে অসমীয়া সমাজত সহজেই গ্ৰহণীয় হৈছিল। জিকিৰৰ বিষয়ে জানিবলৈ হ'লে ইছলাম ধৰ্মৰ কিছু তত্ত্ব কথা অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।

ইছলাম ধৰ্মৰ মূল ভেটি পাঁচোটা। সেইকেইটা হৈছে ক্ৰমে কলিমা, নামাজ, ৰোজা, হজ, জাকাত। আল্লাহ এক, তেওঁৰ বাহিৰে আন কোনো নাই। তেওঁ অদ্বিতীয়। তেওঁৰ কোনো অংশীদাৰ নাই। হজৰত মহম্মদ (ছঃ) আল্লাৰ প্ৰেৰিত পুৰুষ অৰ্থাৎ দূত বা নবী বুলি কায়মনোবাক্যে বিশ্বাস কৰি আল্লাৰ নাম স্মৰণ কৰাই হ'ল কলিমা। নামাজ হ'ল মুছলমানসকলে প্ৰতিদিনে নিৰ্দিষ্ট সময়ত পাঁচবাৰকৈ পালন কৰা প্ৰাৰ্থনা অৰ্থাৎ আল্লাৰ এবাদত কৰা। ই ইছলামধৰ্মী লোকৰ বাবে বাধ্যতামূলক। ৰোজা ৰমজান মাহত উপবাসে থাকি পালন কৰা ব্ৰত। ৰোজাত 'ছেহেৰী' আৰু 'ইফতাৰ' উল্লেখযোগ্য। এই মাহটো পৱিত্ৰ মাহ বুলি ভবা হয় আৰু অনেক পুণ্য বা ছোৱাব লাভ কৰিব পৰা মাহ। জাকাত সকলোৰে বাবে নহয়, ব্যক্তি বিশেষে তেওঁৰ সাঁচতীয়া ধনৰ বাবে আদায় দিবলগীয়া দান, ই কেৱল দুখীয়া, কণা, শাৰীৰিকভাবে অক্ষম লোক, খোঁৰা বা ধৰ্মীয় অনুষ্ঠানতহে দিয়া হয়। হজ মক্কালৈ কৰা তীৰ্থযাত্ৰা অৰ্থাৎ মক্কা আৰু মদিনা দৰ্শন কৰা। ই কেৱল ধন-সম্পত্তি থকা সামৰ্থ্যবান মানুহৰ বাবে প্ৰযোজ্য। এই সকলোবোৰ সকলো মুছলমানৰ কাৰণে কৰণীয় ফৰজ, যদিও হজ ব্যক্তি বিশেষেহে কৰাটো ফৰজ। এই সকলোবোৰ নীতি-নিয়ম মানি চলিলেহে ইছলামৰ দ্বীনি ছৱিয়ত পালন কৰা বুলিব পাৰি।

আজান ফকীৰ ৰচিত জিকিৰসমূহৰ মাজেদি এই পাঁচোটা ভাবধাৰা প্ৰকাশিত হৈছে। জিকিৰৰ জৱিয়তে আল্লাৰ শ্ৰেষ্ঠত্ব, মহিমা, কলিমাৰ তাত্ত্বিক অৰ্থ আদি প্ৰকাশ কৰি মুছলমান সমাজক দ্বীনি শিক্ষা দিয়াৰ চেষ্টা কৰিছিল—

(ক)

"আল্লা নামৰ ওপৰেদি মোহম্মদৰ চাৰাৰ
সেই নামে কৰিব বান্দাক পুল চেৰাতৰ পাৰ।"

(খ)

"নেৰিবা কলিমা ধৰিবা কলিমা,
কলিমা ধৰমৰ গুৰি।"

ইয়াৰ বাহিৰেও আন কিছুমান জিকিৰত মাৰিফাত, হকিকত আদি সাধন মাৰ্গৰ গূঢ়াৰ্থ আৰু আধ্যাত্মিক সাধনৰ কথাও বৰ্ণনা কৰা হৈছে। মাৰিফাত, হকিকত ইছলাম ধৰ্মৰ উপাসনা কৰা একো একোটা বিশেষ পদ্ধতি। শঙ্কৰ-মাধৱৰ ৰচিত ৰৱগীত মানৰ জীৱনৰ ক্ষণভঙ্গুৰ, দেহ অস্থায়ী আদি প্ৰকাশ পোৱাৰ দৰে জিকিৰবোৰত মানৰ জীৱনৰ

ক্ষণভঙ্গুৰতা প্ৰকাশ পাইছে। সেয়ে উল্লিখিত পাঁচোটা বিষয়ৰ তথা আল্লাৰ নাম বাৰে বাৰে উচ্চাৰণ কৰিলেহে পুণ্য অৰ্জনৰ পথ লাভ কৰিব পাৰি।

অসমীয়া জিকিৰ গীতবোৰক বিষয়বস্তু অনুসৰি ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি—

ক) ইছলাম ধৰ্মৰ বিষয়ে অনভিজ্ঞ সাধাৰণ মুছলমানক ইছলামৰ মূল আদৰ্শ, ৰীতি-নীতি আদিৰ বিষয়ে শিক্ষা দিবৰ কাৰণে ৰচনা কৰা গীত।

খ) ইছলাম ধৰ্মত ব্যুৎপত্তি থকা লোকসকলৰ মাজত দাৰ্শনিক চৰ্চা, আধ্যাত্মিক ধাৰণা আৰু ৰহস্যবাদৰ জ্ঞান দিবৰ কাৰণে ৰচনা কৰা গীত।

গ) অসমীয়া দেহবিচাৰ গীতৰ সমধৰ্মী গীত। এইবোৰ গীতত দেহতত্ত্ব, দেহ আৰু আত্মাৰ সম্পৰ্ক, দেহ তথা সংসাৰৰ অনিত্যতা আদিৰ কথা সোঁৱৰাই দি সজ পথলৈ আহিবলৈ আহ্বান জনোৱা। পিছে আটাইবোৰ জিকিৰৰ উদ্দেশ্য হৈছে আল্লাৰ একত্ব প্ৰকাশ কৰা আৰু গুৰুত আত্মসমৰ্পণৰ মাজেদি মুক্তি লাভ কৰা।

আজান ফকীৰৰ বাহিৰেও আন বহুতো ইছলাম ধৰ্মীয় গুৰুৱে জিকিৰ ৰচনা কৰাৰ প্ৰমাণ পোৱা যায়। চৈয়দ আব্দুল মালিকে এই প্ৰসঙ্গত আজান ফকীৰৰ সম্ভাব্য পূৰ্বসূৰী ৰূপে চান্দ খান আৰু মজনুদিল ফকীৰৰ নাম উল্লেখ কৰিছে। তদুপৰি আজান ফকীৰৰ সমসাময়িক অথবা পৰৱৰ্তী কালৰ জিকিৰ ৰচক হিচাপে মুনীয়া দেৱান, বান্দাৰ ফকীৰ, চৈয়দ মূৰ্তাজা, শ্বেখ ফৰিদ, বেথাই গুৱাল, গোলাম হুছেইন, হুছেইন আলীৰ নাম ল'ব পাৰি। তথাপিতো আজান ফকীৰৰ ৰচনাই অধিক। শঙ্কৰ-মাধৱৰ বৰগীত অসমীয়া সাহিত্যৰ অমূল্য সম্পদ হোৱাৰ দৰেই জিকিৰবোৰো অসমীয়া সাহিত্য তথা সঙ্গীতৰ অমূল্য সম্পদ স্বৰূপ। বেণুধৰ শৰ্মাৰ মতে "জিকিৰ গীতবিলাক অসমীয়া সাহিত্যৰ এপদ জাতীয় অলঙ্কাৰ।" মহেশ্বৰ নেওগৰ মতেও, "বাৰ কুৰি বৰগীত, তেৰ কুৰি ফকৰাৰ দৰে আঠ কুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ।" জিকিৰবোৰে এনে এক ৰসৰ সঞ্চাৰ কৰে, এনে এক বিনন্দীয়া ধ্বনিৰ সৃষ্টি কৰে, যি ক'ব নোৱাৰাকৈয়ে শ্ৰোতাৰ হৃদয়ত ধ্বনিত-প্ৰতিধ্বনিত হৈ অথবা অনুৰণিত হৈ সৰ্বকালৰ বাবে সঞ্চিত হয়।

সাহিত্যৰ দিশৰ পৰা জিকিৰসমূহক গীতি-কবিতাৰ শাৰীত পেলাব পাৰি। গীতি-কবিতাৰ লক্ষণ জিকিৰবোৰত পোৱা যায়। ইয়াৰ ভাব, ভাষা, বিষয়বস্তু সকলো দিশৰ পৰা গীতিধৰ্মী। সেয়ে জিকিৰবিলাক অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। বিষয়বস্তুৰ সৰলতা, ভাবৰ মাধুৰ্য, ভাষাৰ স্বচ্ছন্দতা, কম পৰিসৰত প্ৰকাশৰ অৰ্হতা আদিৰ যোগেদি জিকিৰসমূহৰ মাজত এটা কলাত্মক ৰূপ ফুটি উঠিছে। ইছলাম ধৰ্মৰ বাণী প্ৰচাৰ কৰাৰ উদ্দেশ্যে ৰচিত হ'লেও জিকিৰসমূহৰ সাহিত্য গুণ বিবৰ্জিত নহয়।

জিকিৰৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াৰ ভাষা। আজান ফকীৰে জনসমাজৰ লোকভাষা জিকিৰত ব্যৱহাৰ কৰিছিল। অৱশ্যে তেওঁ শব্দ চয়নৰ বেলিকা প্ৰচুৰ আৰবী আৰু পাৰ্চী ভাষাৰ শব্দ প্ৰয়োগ কৰিছিল। ধৰ্মমূলক ব্যঞ্জনাসমৃদ্ধ তেনে শব্দবোৰৰ লগত

জনসমাজৰ পৰিচয় সম্ভৰ হৈছিল আৰু তাৰ যোগেদি ধর্ম প্রচাৰৰ উদ্দেশ্য সফল হোৱাত সহায় হৈছিল। জিকিৰসমূহত ব্যৱহাৰ হোৱা তেনে কিছুমান শব্দ উল্লেখ কৰা হৈছে— আখেৰত, ইমাম, কলিমা, কাদিৰ কামাল, গুণাহগাৰ, জামাত, মগৰিব, বুজৰুগ, মকবুল, বয়ত, জমিন, আচমান, ফৰিস্তা ইত্যাদি। জিকিৰবোৰত সাঁথৰধর্মী ভাষাৰ প্রয়োগ দেখা যায় যদিও আচলতে সেইবিলাকত পৰমার্থিক তত্ত্ব নিহিত হৈ থাকে—

"পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত
খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত।"

জিকিৰৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ছন্দ সজ্জা। আজান ফকীৰৰ বেছিভাগ জিকিৰেই দুলড়ী আৰু ছবি ছন্দত ৰচিত। অৱশ্যে দুলড়ীৰে কোনো কোনো গীতত ৬ + ৬ + ৮ৰ সাঁচত আৰু আন কোনোবাটো ৮ + ৮ + ১০ সাঁচত ৰচিত। জিকিৰবোৰ লিখিত ৰূপ পোৱাৰ আগতে মুখে মুখে চলি অহা বাবে ক'ৰবাত বর্ণ, শব্দ আদিৰ তাৰতম্য ঘটা কাৰণে ছন্দৰ তাৰতম্যও ঘটিছে। আনহাতে, কিছু সংখ্যক জিকিৰ পদ ছন্দত ৰচিত হোৱাও দেখা যায়।

"চিন্তা হেৰা মোৰ মন আল্লাৰ নামত
ভজো হেৰা মোৰ মন গুৰুৰে পাৱত।"

অসমীয়া সঙ্গীতৰ জগতত জিকিৰৰ মূল্য অধিক। আজান ফকীৰৰ জিকিৰ সমূহৰ বিষয়বস্তু আধ্যাত্মিক ৰসেৰে জীৱন চালনৰ এক মিশ্রণ। ওজাপালিৰ পৰিৱেশন পদ্ধতিৰ সৈতে জিকিৰৰ পৰিৱেশন শৈলীৰ মিল দেখা যায়। জিকিৰ পৰিৱেশন কৰোঁতে যিজনে প্রথমে গায় তেওঁ ঘোষাৰে আৰম্ভ কৰে। তেওঁৰ সৈতে সহযোগ কৰি আন যিসকলে জিকিৰ গায় তেওঁলোকক পালি বুলি কোৱা হয়। এনে দৃষ্টিভঙ্গীৰ বিচাৰত ওজাপালিৰ গীতৰ সাহিত্যিক মূল্য আৰু পৰিৱেশন শৈলীৰ সৈতে জিকিৰৰ সাহিত্যিক মূল্য আৰু পৰিৱেশন শৈলীৰ বিশেষ কোনো প্রভেদ দেখা নাযায়। ওজাপালিত ভকত সকলে হাত চাপৰি বজাই নাম গাই ঈশ্বৰৰ নাম লয়। তদ্রূপ জিকিৰতো ভকতসকলে এটা লয়ত হাত চাপৰি বজাই আল্লাৰ নাম লয়। জিকিৰৰ ৰচনাসমূহ যেনেকৈ অসমীয়া লোকগীতৰ আর্হিৰে লিখা, তেনেকৈ দিহানাম, টোকাৰী গীত, বিয়াগীত আদিৰ দৰে আৰোপ কৰা। সেয়েহে এনে গীতসমূহ জাতি-ধর্ম-বর্ণ নির্বিশেষে সকলোৰে অতি আদৰৰ। জিকিৰৰ সুৰবোৰ হৃদয়স্পর্শী, অতি দৰদী। জিকিৰসমূহ বিশেষ এটা সুৰ লগাই তাল-মান ৰাখি হাত চাপৰিৰ সৈতে পৰিৱেশন কৰা হয়।

অসমীয়া সঙ্গীতত জিকিৰসমূহ স্বকীয় মহিমাৰে মহিমামণ্ডিত এক নির্দিষ্ট ধাৰাৰ গীত। যেনেকৈ শঙ্কৰ-মাধৱৰ গীতসমূহে বৰগীত হিচাপে এক বিশেষ স্থান অধিকাৰ কৰি আছে, তেনেকৈ আজান ফকীৰৰ গীতসমূহো জিকিৰ হিচাপেই অসমীয়া সঙ্গীতৰ ধাৰাত এক বৈশিষ্ট্যপূর্ণ গীত হিচাপ অলঙ্কৃত হৈ থাকিব।

১.৬.৩ জিকিৰটোৰ মূল পাঠ

ঘোষা— *জীৱৰ সাৰথি নাম।*

সতগুৰুক ভেটিবা, আতমাক চিনিবা, সিজিব দীনৰে কাম।।

অমন পখনক চম্ভালি ৰাখিবা কোনোবাই ভাঙ্গিব ধৰি।
মনৰ পাঁচ হাতীক থিৰকৈ বান্ধিবা কলিমা লাহৰে জৰী।।
মনকে বান্ধিবা, মনকে চাটিবা, মনকে নিদিবা লাই।
অবুজন মনকে বুজাব নোৱাৰি, যেনে গজমূৰী গাই।।
মনকে বান্ধিৱা, মনকে চাটিবা, মনকে নিদিবা লাই।
দুৰ্জন মনকে বুজাব নোৱাৰি, বুজায়ে পাৰ নেপায়।।
তিনি আঠে বছৰ মনকে বুজালোঁ জগৰা বনলৈ যায়।
জগৰা বনলৈ কেলেই নেযাব, সৃষ্টি বাঢ়িবৰ ঠাই।।
বাঁহে কি এ তিতা, গজালি কোমল, খাওঁতে মাধুৰি ভাল।
কুকুৰাৰ ডিমাতে পানী ঢল ঢল তাতে কুকুৰাৰ আল।।
জাৱৰে কোমল সৰগৰে ৰ'দ ঘামৰে কোমল বা।
মাতৃৰ গৰভত দহ মাহ নৰকত, পণ্ডিতে বিচাৰি চা।।
জুয়ে কোমলাবৰ লাহে লোৱে, পানী কোমলাবৰ মাটি।
নামৰে কোমল, ভকতৰে বচন, ধৰিলে অমূলক আঁটি।।
এইনো বৰে ঘৰ কেলেই সাজিলা, শুবলৈ নোজোৰে পাটি।
গাঁৱৰে গিয়াতী চপাই মাতি আনি ল'লা বাৰী চুকত মাটি।।
কাপে কাপে তুলা ডিঙিত শিলিখা, কঁকালত পিন্ধিলা লোং।
যাবৰ বেলিকা ল'লা কিয়ে নাম, তললৈ মূৰকৈ গুণ।।

১.৬.৪ জিকিৰটোৰ সাধাৰণ আলোচনা

আমাৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট 'জীৱৰ সাৰথি নাম' জিকিৰটি আজান ফকীৰৰ দ্বাৰা ৰচিত। জিকিৰটোৰ মাজেৰে আজান ফকীৰে শান্তিময় ইছলাম ধর্মৰ তাত্ত্বিকতা, প্রধান ফৰজ 'কলিমা'ৰ মহত্ত্ব আৰু গুৰুত্বৰ কথা কৈছে। ইছলাম শান্তি সৎ আৰু সদাচাৰৰ ধর্ম। ইছলাম ধর্মৰ তথা কলিমাৰ মহত্ত্ব লাভ কৰিবলৈ সঁচা গুৰুৰ গুৰুত্ব আৰু তেনে গুৰুক চিনি পোৱা প্রয়োজনীয়তাবোধ কৰি দীক্ষা ল'বলৈ কৈছে—

"জীৱৰ সাৰথি নাম।

সত গুৰুক ভেটিবা, আতমাক চিনিবা, সিজিব দীনৰে কাম।"

প্রকৃত গুৰুৰ জৰিয়তে কলিমাৰ মহত্ত্ব জানিব পাৰি আৰু পার্থিৱ জগতত সৎ গুৰুৰ সান্নিধ্যতহে আত্মাই বিষয়-বাসনাৰ পৰা শুদ্ধ পথ বা মুক্তি লাভৰ সোপান লাভ কৰে।

আমি ইতিমধ্যে জিকিৰৰ সাধাৰণ পৰিচয়ত 'কলিমা' ইছলাম ধর্মৰ মূল ভেটি-ইয়াৰ বিষয়ে উল্লেখ কৰিছোঁ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱ ধর্মত কোৱা হৈছে— 'কলিত নামেই ধর্ম'। অর্থাৎ কলি যুগত ভগৱানৰ নাম স্মৰণ বা গুণানুকীর্তন কৰাই প্ৰধান ধর্ম। ফকীৰ চাহাবে সেই কথাকে দীন অর্থাৎ কলিমাৰ জৰিয়তে কলি কালতে আল্লাৰ নাম বাৰে বাৰে স্মৰণ কৰিবলৈ বিনয়েৰে আহ্বান জনাইছে।

মানৱ জীৱৰ মন আৰু আত্মাৰ সাৰথি পৱিত্ৰ নাম। এই নামৰ জৰিয়তেই মুক্তি বা নির্বাণ প্ৰাপ্তি লাভ কৰিব পাৰি। গতিকে সৎ গুৰুৰ ওচৰত দীক্ষা ল'লে আত্মাৰ স্বৰূপ জানিব পাৰি আৰু মুক্তিৰ পথ প্ৰশস্ত হয়। সদ্‌গুৰুৰ আশ্ৰয় নোপোৱা সকলে সাংসাৰিক জীৱনত পার্থিৱ সুখ-স্বচ্ছন্দ, আমোদ-প্ৰমোদত মত্ত হৈ আল্লাৰ উপাসনাৰ কথা পাহৰি যায়। ক্ষণভঙ্গুৰ জীৱনক পঁচা শিমলুৰ পাহৰ দৰে বুলি কোৱা হৈছে। সাংসাৰিক ভোগ-বিলাসত জীৱন অতিবাহিত কৰা মানেই অসাৰ ক্ষণভঙ্গুৰ ব্যর্থ জীৱন-যাপন কৰা। আল্লাৰ নাম-গুণ কৰি আত্মাৰ সদ্‌গতি কামনা কৰাটোহে জীৱনৰ মূল বিষয়। ইছলামৰ শান্তি আৰু সদাচাৰ মনক সংযমশীল কৰি ৰিপুসমূহ দমন কৰিব পাৰিলে জীৱন সার্থক হ'ব।

মানৱ জীৱন অস্থিৰ। সেয়ে মনৰো স্থিৰতা নাই। ক্ষণভঙ্গুৰ মনটোক পঞ্চ ইন্দ্ৰিয়, যেনে— নাক, কাণ, চকু, ছাল, জিভা আদিয়ে পৰিচালিত কৰিব বিচাৰে। সেয়ে স্থিৰতাহীন মনটোক লাই নিদি কলিমাৰ মহত্ত্বৰে সংযমশীল কৰি আঁটি ৰাখিব লাগে—

"অমন পখনক চম্ভালি ৰাখিবা কোনোবাই ভাঙ্গিব ধৰি।
মনৰ পাঁচ হাতীক থিৰকৈ বান্ধিবা কলিমা লাহৰে জৰী।।
মনকে বান্ধিবা, মনকে চাটিবা, মনকে নিদিবা লাই।
অবুজ মনকে বুজাব নোৱাৰি যেনে গজমূৰী গাই।।"

চঞ্চল মনৰ পাঁচোটা ইন্দ্ৰিয়ক কলিমাৰে বান্ধি লোৱাৰ কথা কোৱা হৈছে আৰু 'গজমূৰী গাই' শব্দটোৱে অস্থিৰ জীৱনক বুজাইছে। জীৱনৰ অধিকাংশ সময় ডেকা কাল। এই কালছোৱাত চঞ্চল মনটোক বুজালেও বুজি নাপায়। মায়া-মোহৰ দুর্জয় নিঃসঙ্গ জগৰা বনলৈ মনটোৱে উৰা মাৰে। কাৰণ জগৰা জগতখনেই মায়া-মোহৰ সকলো সৃষ্টিৰ মূল। চঞ্চল মনক বুজাই শুদ্ধ সংযমী পথত আগবঢ়াব পাৰিলে পৰকাল অতি সুখকৰ হয়। সংগোপনে হৃদয়ৰ মাজত লুকাই থকা মনটোৱে আত্মাক সৎ পথলৈ নিব পাৰে। এই কথাকে প্ৰকাশ কৰিবলৈ ফকীৰ চাহাবে এনেদৰে কৈছে—

"বাঁহে কি এ তিতা, গজালি কোমল, খাওঁতে মাধুৰি ভাল।
কুকুৰাৰ ডিমাতে পানী ঢল ঢল তাতে কুকুৰাৰ আল।।"

মানুহৰ অন্তৰত সুপ্ত হৈ থকা মনটো কলিমাৰেহে বান্ধিব পাৰি। মাতৃৰ গর্ভত সন্তানে যিদৰে দহমাহ কাল অতিবাহিত কৰে, তেনেদৰে মাতৃৰ গর্ভত পঞ্চ ইন্দ্ৰিয়ই ক্ৰিয়া কৰিব নোৱাৰিলে মাতৃৰ গর্ভত নৰক সদৃশ থকাৰ দৰে থাকে। ইয়াৰ তাৎপর্য্য এয়ে যে মনক শুদ্ধ চিত্ত কৰি একান্তভাৱে আল্লাৰ উপাসনাত ব্ৰতী হ'লে প্ৰকৃত পথৰ সন্ধান

পোৱা যায়। জুয়ে যেনেকৈ লোহাক কোমলায়, পানীয়ে যেনেকৈ মাটিক কোমলায় তদ্রূপ আল্লাৰ নাম-প্রসঙ্গই মন তথা ভকতক মুক্তি দিয়ে। ইয়াৰ তাত্ত্বিক অর্থ বুজি ল'বলৈ জ্ঞানী বা সমাজক অর্থাৎ সদ্‌গুৰুক ভেটিব যোৱাৰ কথা কোৱা হৈছে। পার্থিৱ মায়া-মোহৰ জগতত ঘৰ সাজিলেও ই ক্ষন্তেকীয়া, তাত শুবলৈ শান্তি পোৱা নাযায়। আমাৰ শৰীৰত থকা পঞ্চভূত ইন্দ্রিয়ক মাতি আনি হৃদয় বা মনৰ মাজত আশ্রয় দিলে সুগম পথ পোৱা নাযায়। সদ্‌গুৰুসকলে ধর্মৰ বাণী প্রচাৰ কৰিবলৈ জীর্ণ বস্ত্র পৰিধান কৰে। সেয়ে ইহজগতৰ পৰা মেলানি মাগিবৰ আগতেই সদ্‌গুৰুৰ জৰিয়তে অহংভাৱ এৰি সংযম, দৃঢ় স্থিৰ চিত্তে আল্লাৰ নাম বা গুণানুকীর্তনকেই জীৱনৰ সাৰ কৰিলে মুক্তিৰ পথ নিষ্কণ্ট হৈ পৰে।



জানি থোৱা ভাল

ভাৰতবর্ষত চুফী সাধকসকলে ইছলাম ধর্মৰ বাণী প্রচাৰ কৰিছিল। চুফীবাদত ইছলামৰ, ধর্মতত্ত্ব, আল্লাৰ প্রতি ভক্তি, নবীৰ প্রতি অগাধ আনুগত্য, কোৰাণক মূল ধর্মপুথি বুলি ভবা হয়। 'চুফী' শব্দটো আৰবী মূল 'চাফা' (পৰিত্র)ৰ পৰা আহিছে। অন্য এটা অর্থ অনুসৰি 'চুফী' শব্দটো আৰবী 'চুফ' শব্দৰ পৰা আহিছে। ইয়াৰ অর্থ অমসৃণ ঊণ। চুফীসকল মায়া-মোহৰ সংসাৰ জঞ্জালৰ পৰা আঁতৰি আল্লাৰ উপাসনাত মগ্ন হয়। এনে দর্শনে আত্মা-পৰমাত্মাৰ মিলনত নিজক বিলীন কৰি দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ জিকিৰৰ ৰচক কোন? জিকিৰৰ চমু পৰিচয় আগবঢ়াওক। (২০০টা শব্দৰ ভিতৰত লিখক।)

১.৭ *কিমতে এৰাইবো মায়াহে গোপাল/কিমতে এৰাইবো মায়া*

আমাৰ পাঠ্যবিষয়ৰ *কিমতে এৰাইবো মায়াহে গোপাল/কিমতে এৰাইবো মায়া* গীতটি দেহবিচাৰৰ গীত। এই গীতৰ শ্রেণী বিভাজনত দার্শনিক ভাৱপ্রধান গীতৰ অন্তর্ভুক্ত কৰিব পাৰি। দেহবিচাৰৰ গীতবোৰত সংসাৰ মায়া-মোহৰ অনিত্যতা, ক্ষণস্থায়িত্ব সম্পর্কীয় তাত্ত্বিক ভাব সম্পৃক্ত হৈ থাকে। দেহবিচাৰৰ গীতৰ তাত্ত্বিকতাৰ ফালৰ পৰা এই শ্রেণীৰ গীতক আধ্যাত্মিক ভাবৰ গীত বুলি কোৱা হয়। এই প্রসঙ্গত দেহবিচাৰৰ গীত সম্পর্কে আলোচনা কৰাৰ প্রয়োজনীয়তাবোধ কৰা হৈছে।

১.৭.১ দেহবিচাৰৰ গীত

দেহবিচাৰৰ গীত হ'ল আধ্যাত্মিক ভাবযুক্ত এক শ্রেণীৰ তত্ত্বগধুৰ গীত। বুঢ়া ভকত, সংসাৰ বিৰাগী, বয়সিয়াল মগনিয়াৰ, অন্ধ, খোৰা, ডেকা লোকৰ মুখত দেহবিচাৰৰ গীত শুনা যায়। সংসাৰখন মায়া-মোহ, জ্বালা-যন্ত্রণা, বেদনাৰে ভাৰাক্রান্ত। এইবোৰৰ পৰা হাত সাৰিবলৈ অথবা মুক্তি পাবলৈ সাধকসকলে মনৰ বৈৰাগ্য ভাব প্রকাশক এই শ্রেণী গীতত প্রকাশ পায়। এই গীতবোৰ কোনো এক বিশেষ ধর্মক প্রতিনিধিত্ব কৰা গীত নহয়। ই সর্বধর্ম সমন্বয়ৰ তত্ত্বগধুৰ গীত। মুখে মুখে প্রচলিত এই শ্রেণীৰ গীতবোৰ গায়কসকলে হাতত খঞ্জৰী, তাল, বেণু, টোকাৰি, ৰামকৰ তাল, দোঁতাৰা আদি বাদ্যযন্ত্র বজাই গাই কাৰণে জনসমাজত টোকাৰি গীত বুলিও প্রচলিত আছে।

দেহ বিচাৰৰ গীত ৰচনাৰ সঠিক সময় নির্ধাৰণ কৰিব পৰা নাযায়। কিন্তু অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত চর্যাপদৰ মাজত ইয়াৰ ঐতিহাসিক উৎস বিচাৰি পোৱা যায়, কিয়নো দুয়োবিধ গীতৰ বিষয়বস্তু আৰু ভাববস্তুৰ অর্থৰ মাজত যথেষ্ট মিল দেখা যায়। পঞ্চদশ-ষোড়শ শতিকামানৰ পৰা দেহবিচাৰৰ গীতৰ ওপৰত বৈষ্ণৱ প্রভাৱ যে পৰিছিল তাত সন্দেহ নাই। বৈষ্ণৱ সাধক শঙ্কৰদেৱ, মাধৱদেৱ, চান্দসাই আদি কবিসকলৰ উল্লেখৰ পৰাই এইটোৰ প্রমাণ পোৱা যায়।

আমাৰ ৰাতিখোৱা বা ভিতৰপকীয়া সম্প্রদায়ৰ ভকতসকলে টোকাৰি বজাই গোৱা কিছুমান গীতৰ অন্তৰালত ধর্মীয় তাত্ত্বিকতা প্রকাশিত হৈছে।সম্ভৱতঃ এই গীতবোৰৰ ওপৰত শঙ্কৰদেৱৰ অনাদি পাতন খণ্ডৰ প্রভাৱ পৰিছে। এনে দৃষ্টিভঙ্গীৰ ফালৰ পৰা পর্য্যালোচনা কৰিলে দেখা যায় যে ভাৰতীয় ধর্ম দর্শনৰ মূল তাত্ত্বিকতাই দেহবিচাৰৰ গীতৰ মূল ধর্ম সাধনতত্ত্ব।



জানি থোৱা ভাল

ৰাতিকোৱা সম্প্রদায় অথবা এনে জাতীয় অনুষ্ঠানবিলাকৰ সৈতে এফালে বৌদ্ধতত্ত্ব আৰু আনফালে হিন্দুতত্ত্বৰ প্রভাৱ পৰিলক্ষিত হয়। সময় আৰু যুগৰ প্রভাৱত ক্রমান্বয়ে নৱ-বৈষ্ণৱ ধর্মৰ প্রভাৱো তাত পৰা দেখা যায়। এই শ্রেণী লোকৰ দৃষ্টিত 'শাল-শিঙি-শুৱাৰ' —এই তিনি ভক্তৰ দুৱাৰ। পঞ্চ মকাৰ অর্থাৎ মদ, মুদ্রা, মাংস, মৎস্য আৰু মৈথুনৰ প্রচলন বিধিসম্মত আছিল বুলি বিশেষভাবে জনা যায়।

দেহবিচাৰৰ গীতবোৰে কোনো এক নির্দিষ্ট ধর্মৰ মত বহন নকৰে যদিও গীতবোৰ তত্ত্বমূলক গীত। গীতবোৰ শৰীৰ, সংসাৰ, জীৱাত্মা, পৰমাত্মা, গুৰু, ভকত সম্পর্কীয় দার্শনিক তত্ত্বৰ কথাৰে পৰিপুষ্ট। মহেশ্বৰ নেওগে "অসমীয়া গীতি-সাহিত্য'ত লিখিছে— দেহবিচাৰৰ গীতত চৌব্বিশ তত্ত্ব, কাণ-চকু-নাক-মুখ-গুহ্য-লিঙ্গৰ নৱখানদ্বাৰ, দশপ্রাণ

বায়ু চড়ি ফুৰা ইড়া, পিঙ্গলা, সুষুম্নাকে প্ৰধান কৰি বাসত্তৰ হেজাৰ নাড়ী, যোগশাস্ত্ৰৰ ষটচক্ৰ, চৈধ্য ইন্দ্ৰিয়ৰ অধিষ্ঠাতা পাপ-পুণ্যৰ সাক্ষী স্বৰূপ চৈধ্য দেৱতা, হৃদয় কমলে কৃষ্ণ— সকলো শৰীৰতে বৰ্তমান। শৰীৰ সাধনাৰ ইঙ্গিতো এই প্ৰসঙ্গত উল্লেখ কৰা হৈছে। যোগবলত অপান বায়ুৰ 'মায়াৰ শাকতি' কুণ্ডলিনীৰ মুখেদি মেৰুমজ্জাৰ ভিতৰত প্ৰৱেশ কৰাব লাগে। দেহবিচাৰৰ গীতৰ এয়ে ঘাই অৱলম্বন।" দেহতে যে চৈধ্য ব্ৰহ্মাণ্ড আছে আৰু ই যে ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ ৰূপ সেয়া দেহবিচাৰৰ গীতৰ বিষয়বস্তু। মানৱ দেহক কেতিয়াবা সংসাৰৰ ভৰ নদীত মেলি দিয়া নাৱৰ লগত, কেতিয়াবা নখন দুৱাৰৰ লগত তুলনা কৰা হৈছে। সেই কাৰণে মানৱ দেহক চৌব্বিশ তত্ত্বৰ ঘৰ আৰু নখন দুৱাৰৰ মিলন বুলি কোৱা হৈছে। ইয়াৰ মাজত পৰম ব্ৰহ্ম ঈশ্বৰে অৱস্থান কৰি আছে। ইয়াৰ উপৰি বায়ু, তেজ, আকাশ আদিৰ সমন্বিতে পঞ্চভূত, সপ্ত অৱলোক, পঞ্চতত্ত্ব, সপ্তদ্বীপ, সপ্ত উদ্ধ লোক, সপ্ত পৰ্বত, সপ্ত সাগৰ আদি মানৱ দেহ বা কায়া ৰূপী দেহৰ মাজত ধাৱমান হৈ আছে।

দেহবিচাৰৰ গীতৰ সাধকসকলে মনকে সাধনাৰ মূল আধাৰ হিচাপে বিশ্লেষণ কৰিছে। অন্তৰাত্মাৰ চাৰি ৰূপ— মন, বুদ্ধি, অহঙ্কাৰ আৰু চিত্ত। মনেই দশ ইন্দ্ৰিয়ৰ অধিৰক্ষক। মনৰ কামকে জীৱই নিজ কাম বুলি কৰ্মপাশত বন্দী হয় 'মন ভাই তোৰ সঙ্গে জীৱ ভৈল বন্দী।'চঞ্চল মনক দৃঢ়-গম্ভীৰ কৰিব পাৰিলে, মনেই দেহৰ হৃদয় কমলত থকা পৰম দিব্য সত্তাৰ দ্বাৰা জীৱক মুক্তি বা নিৰ্বাণ লাভ কৰিব পাৰে। দেহবিচাৰৰ গীতত মনেই দিব্যশক্তিৰ জৰিয়তে পৰম সুখ-শান্তিক কেতিয়াবা হৰি ৰূপে প্ৰকাশ কৰিব পাৰে।

দেহবিচাৰৰ গীতৰ সাধকসকলে দেহ সাধনাৰ ওপৰত বিশেষ গুৰুত্ব দিছে। দেহ সাধন তন্ত্ৰত বিশ্বাস কৰা হিন্দু, বৌদ্ধ, নাথ-যোগী সহজীয়া পন্থাৰ বৈষ্ণৱসকলে নিৰালম্ব পৰম সত্যক যুগ্মশক্তিৰ বিকাশশীল গতি ৰূপে স্বীকাৰ কৰে। এই যুগ্মশক্তি শিৱ আৰু শক্তি, পুৰুষ আৰু প্ৰকৃতি, ভোক্তা আৰু ভোগ্য, প্ৰজ্ঞা আৰু উপায়, এই সকলোবোৰৰ যুগ্ম মিলন ঘটাব পাৰিলেহে প্ৰকৃততে দেহৰ মাজত লুকাই থকা পৰমাত্মাৰ অন্বেষণ সম্ভৱপৰ হৈ উঠিব। অন্য কোনো শক্তিয়ে ইয়াক উদ্‌ঘাটন কৰিব নোৱাৰে। এই ভৱ নদী সদৃশ সংসাৰখন বিচিত্ৰ, প্ৰত্যেক নৰ-নাৰীৰ মাজতেই এই যুগ্মশক্তি সুপ্ত অৱস্থাত থাকে। তৎসত্ত্বেও পুৰুষৰ মাজত শিৱতত্ত্ব, নাৰীৰ মাজত শক্তিতত্ত্বৰ প্ৰকাশ অধিক। মানৱ দেহৰ শিৰোভাগৰ চক্ৰত কুণ্ডলীকৃত অৱস্থাত শক্তি থাকে। যৌগিক বল আৰু আত্মসংযমৰ জৰিয়তে সাধকসকলে কুণ্ডলিনীক বাঁও আৰু সোঁফালৰ পৰা পিঙ্গলাত প্ৰাণ আৰু অপ্ৰাণ বায়ু নিৰোধ কৰি মধ্যম নাড়ী সুষুম্নাৰ ভিতৰতে বোৱাব পাৰিলে হৃদয় কমলত এনে এক দিব্য পৰম শক্তি জাগ্ৰত হয়, যাৰ দ্বাৰা সাধকসকলে মায়া-মোহৰ পাশত আবদ্ধ সংসাৰ তথা সাংসাৰিক জগতৰ পৰা সুখ-দুখৰ অৱসান ঘটাই পৰম তৃপ্তি আৰু আনন্দ লাভৰ অধিকাৰী হ'বলৈ সক্ষম হ'ব পাৰে।

দেহবিচাৰৰ সাধকসকলে যোগী তান্ত্ৰিক সাধক সিদ্ধপুৰুষো আছিল। নদীৰ ভটিয়নী সোঁতৰ দৰে প্ৰবৃত্তি ভটিয়নী সোঁতত নিজক এৰি নিদি নিবৃত্তিৰ সুঁতিৰে দৰ্শন

মার্গলৈ নিয়াবলৈ যোগী সাধকসকলে নির্দেশ দিয়ে। বাসনামুক্ত নিবৃত্তিৰ প্রশস্ত পথত উপনীত হ'বলৈ সাধকসকলৰ আত্মত্যাগ আৰু সংযমশীলতাৰ প্রয়োজন। মন-দেহ সংযমশীল হ'লেহে ছয় ৰিপু দেহৰ মাজত জাগ্রত হ'ব নোৱাৰে। এই ৰিপু দমন কৰিব পাৰিলেহে শুদ্ধচিত্ত ভক্তিৰ পথ সুগম হ'ব। এই শুদ্ধভক্তি পথৰ কাৰণে গুৰুভজন কৰাৰ প্রয়োজনীয়তাৰ কথা দেহবিচাৰৰ গীতত উল্লেখ আছে। গুৰু অবিহনে শুদ্ধ ভক্তি পথৰ সন্ধান লাভ কৰা সম্ভৱ নহয়।

দেহবিচাৰৰ গীতবোৰ সাধাৰণতে সাঙ্কেতিক বা প্রতীকধর্মী। সাধক গীতিকাৰ-সকলে গীতৰ তত্ত্ব প্রকাশৰ কাৰণে বিবিধ উপমা, ৰূপক, চিত্রৰ সহায় লৈছে। এই গীত সমূহৰ ৰাগ-সুৰো সুকীয়া ধৰণৰ। ইয়াৰ বেছিভাগ গীতৰ সুৰত বৈৰাগ্য ভাব প্রকাশ পায়। গীতৰ সাধকসকলে প্রতীক, উপমা, ৰূপক আদিৰ সহায়েৰে সংসাৰৰ সংযমৰ অনিত্যতা, মায়া-মোহ, আত্মা-পৰমাত্মা, ইহকাল-পৰকাল আদিৰ জটিল তত্ত্বসমূহ সহজ-সৰলভাৱে ব্যাখ্যা কৰিছে। এনে ব্যাখ্যা কৰিবলৈ দেহবিচাৰৰ সাধকসকলে কেতিয়াবা শৰীৰক নাৱৰ লগত আৰু মনক নাৱৰীয়াৰ লগত তুলনা কৰিছে। দেহসাধক গীতিকাৰ-সকলে কেতিয়াবা গীতত সংসাৰখন এখন গহীন বন, এই বনত যেন নানা হিংস্র জন্তু, বাধা-বিঘিনি স্বৰূপ মায়া-মোহ, ৰিপু আদি অহর্নিশে মনৰ মাজত ধূর্ত শিয়ালৰ দৰে খেলিছে তাৰ উল্লেখ কৰিছে। আনহাতে, কিছু সংখ্যক গীতত সংসাৰখন এখন হাট আৰু মানুহবোৰ হাটৰুৱা, সংসাৰখন নদী, মানুহবোৰ যাত্রী আৰু গুৰুজন গুৰিয়াল, সংসাৰখন জিৰণি চ'ৰা, মানুহবোৰ অতিথি, খন্তেক সময়ৰ কাৰণে জিৰাইছে। কিন্তু শেষত প্রকৃত ঘৰলৈ উকা হাতেৰে যায়গৈ, মাত্র ধর্মীয় নির্দিষ্ট কিঞ্চিৎ এপদ-দুপদ সামগ্রী। এই ব্যাধিৰ পৰা হাত সাৰিবলৈ মনটোক সংযমশীল, ধীৰ-স্থিৰ হৈ আগবাঢ়িলেহে মায়া-মুক্তিৰ পথ পোৱা যায়। গীতাত উল্লেখ থকা বাসাংসি জীর্ণানি, মানৱ দেহৰ ক্ষণস্থায়িত্ব, আত্মাৰ অবিনশ্বৰতা, কাম-ক্রোধৰ প্রভাৱ আৰু মনেই মানুহৰ সুখ-দুখৰ মূল। এইবোৰ কথাই দেহবিচাৰৰ গীতৰ মাজত সন্নিৱিষ্ট হৈ আছে। পৰীক্ষিত হাজৰিকাই চর্যাপদ পুথিত লিখিছে— "সাংসাৰিক জীৱ যেন মুক্তিৰ কাৰণে উদ্বাউল, দুখ-দাৰিদ্র্য, জ্বালা-যন্ত্রণাই জীৱক যেন জুৰুলা কৰিছে, ভক্তই যেন ভগৱানৰ ওচৰলৈ, আত্মাই যেন পৰমাত্মাৰ সান্নিধ্যলৈ যাবলৈ আকুল হৈ পৰিছে, কিন্তু সেই পৰম শক্তিক লগ পোৱা-নোপোৱাৰ সন্দিগ্ধতাত চিত্ত অতিশয় ব্যাকুল।" সাংসাৰিক জীৱই জ্ঞানক্ষম কর্মৰ মাজেৰে মায়া-মোহ পাশৰ বন্ধনৰ পৰা মুক্তি লাভ কৰিব পাৰে।

দেহ বিচাৰৰ গীতৰ পটভূমি লোকজগত। দেহ বিচাৰৰ গীতবোৰ সহজ-সৰল ভাব, ভাষা আৰু জতুৱা ঠাঁচযুক্ত, সুৰবিশিষ্ট। শাস্ত্রীয় সঙ্গীতৰ লেখীয়া, গীতৰ কথাৰ লগত সুৰ, লয়, ছন্দ, তাল, মান আৰু প্রকাশভঙ্গী দেহবিচাৰৰ গীতত নথকা নহয়। কিন্তু মন কৰিবলগীয়া যে গীতসমূহত ঘোষা বা দিহা আৰু পদৰ বাহিৰে সঙ্গীত জগতৰ কোনো বৈয়াকৰণিক নিয়ম নাই।

১.৭.২ গীতটিৰ মূল পাঠ

ঘোষা— *কিমতে এৰাইবো মায়াহে গোপাল*
কিমতে এৰাইবো মায়া।
পাপে জৰজাৰি হইয়াছে কায়া,
অমৃতক এৰিয়া বিষয়ক খায়া।।
পদ— ইটো ঘৰবাৰী ধনৰ আশে
আমি বন্দী ৰৈলো ই মায়া পাশে।
গলত ধৰিয়া বাঘিনী গিলে,
ভাবিয়া চোৱা মন কি সুখ মিলে।
বিষয়ৰ সুখ ভূজিয়া নিতে,
হৰি ভকতিও নিদিলা চিতে।
এই মুখে নুবুলিলা ৰাম-কৃষ্ণ বাণী,
কর্ণে বাইব তপ্ত শাখা জিভা কাটিব টানি।
ই মায়া এৰাইবাৰ কাহাৰ শকতি,
কহয় মাধৱ মূৰুখ মতি।।

১.৭.৩ গীতটিৰ গূঢ়ার্থ

দেহবিচাৰৰ গীতৰ মূল মন-দেহ। দেহকে ব্রহ্মাণ্ডৰ ক্ষুদ্র ৰূপ বুলি বিশ্বাস কৰি গীতাত 'যা আছে ব্রহ্মাতে তাই আছে ভাণ্ডে' এই কথা কোৱা হৈছে। সংসাৰখন মায়া-মোহৰ পাশত বন্দী। এই মায়া-মোহে জীৱক অথাই সাগৰত পেলায়। এই মায়া-মোহৰ পৰা যেনেকৈ হাত সাৰিব পাৰি তাৰ উল্লেখ কৰা হৈছে। মানৱ দেহ ক্ষণস্থায়ী, ক্ষণভঙ্গুৰ। কায়া স্বৰূপ শৰীৰটো মায়া-মোহৰ মাজত পৰি পাপ-পঙ্কিলতাৰে পৰিপূর্ণ হৈছে। ফলত শুদ্ধ চিত্ত পথ এৰি বিষাক্ত, যন্ত্রণাক্লিষ্ট পথ গ্রহণ কৰা অর্থাৎ অমৃত পান কৰিবলৈ এৰি বিহহে পান কৰাৰ কথা কোৱা হৈছে, আমি সংসাৰৰ মায়া-মোহৰ জালত বন্দী হৈ ধন-জন, সম্পদ আদি লাভৰ আশাত জীৱন মেলি দি তাৰ পাছে পাছে দৌৰি ফুৰিছো। ধন-জন, সম্পদ এই সকলো অসাৰ। গীতৰ সাধকসকলে চঞ্চল মনক দৃঢ় গম্ভীৰভাৱে ধ্যান বা ভাবি চাবলৈ নির্দেশ দিছে, নহ'লে মায়া ৰূপী বাঘিনী অর্থাৎ পাপ-পঙ্কিলতাৰ মাজত জীৱন বুৰ যাব। গতিকে এই সংসাৰৰ খন্তেকীয়া পার্থিৱ সুখ-স্বাচ্ছন্দ ভোগ কৰাৰ কথা চিন্তা কৰা উচিত নহয়। পার্থিৱ সুখ ভোগৰ কথাই হৃদয়-চিত্তক হৰি ভক্তিৰ ভাৱৰ পৰা আঁতৰাই ৰাখে। হৰিক ভক্তি নকৰি ধন-জন, সম্পদ-ঐশ্বর্য আদিৰ ভোগ-পিয়াহৰ পিছে পিছে ঘূৰি ফুৰি পার্থিৱ সুখ ভোগৰ বাবে লালায়িত হৈ সেই মুখেৰে জগতৰ গৰাকী জগদ্বিশ্বৰৰ অর্থাৎ ৰাম-কৃষ্ণৰ পৱিত্র বাণী গুণানুকীর্তন কৰিলে নখন দ্বাৰৰ ভিতৰত

অন্যতম কাণ-জিভাই যেন সহ্য কৰিব নোৱাৰে। এই মায়া-মোহৰ কবলৰ পৰা মুক্তি লাভ কৰা সহজ নহয়। এইবোৰৰ পৰা মুক্তি বা নির্বাণ প্রাপ্তি পোৱাটো সহজ নহয় বুলি মাধৱে নিজেই কৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ দেহবিচাৰৰ গীত বুলিলে কি বুজে? এই শ্রেণীৰ গীতৰ আধ্যাত্মিক তাৎপর্য বিচাৰ কৰক।

(২০০টা শব্দৰ ভিতৰত লিখক।)



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোক সমাজত বসবাস কৰা জনগণৰ বাস্তৱ অভিজ্ঞতা, প্রকৃতি জগতৰ পৰা পোৱা নৈতিক শিক্ষা আৰু দৈনন্দিন ব্যৱহাৰিক জীৱনৰ লগত সম্বন্ধ থকা বিষয়ক কেন্দ্র কৰিয়েই চহা কবিসকলে লোকগীত ৰচনা কৰে। সেয়ে এইবোৰত লোক সমাজখন স্বতঃস্ফূর্তভাবে প্রকাশিত হয়।
- সাম্প্রতিক কালত লোক-সাহিত্যৰ গৱেষক পণ্ডিতসকলে লোক-সাহিত্যক বিভিন্ন দৃষ্টিভঙ্গীৰে বিভাজন কৰি সমালোচনা কৰিছে। এনে বিভাজনৰ এটি শ্রেণী আঞ্চলিক বিভাজন। অসমীয়া লোকগীতবোৰক এনে বিভাজনৰ আধাৰত "গোৱালপৰীয়া" আৰু "কামৰূপী" লোকগীত বুলি শ্রেণী বিভাজন কৰা হয়। লোকগীতসমূহক তাত্ত্বিক বিভাজনৰ ফালৰ পৰা দার্শনিক ভাবপ্রধান বা তত্ত্বপূর্ণ গীত হিচাপে বিভাজন কৰি আলোচনা আগবঢ়োৱা হৈছে। সেই গীতবোৰৰ ভিতৰত দেহবিচাৰৰ গীত, টোকাৰী গীত, জিকিৰ আদি অন্যতম।
- গোৱালপৰীয়া লোকগীতত মৈছাল বা ম'হক কেন্দ্র কৰি প্রিয়তমা পত্নী অথবা প্রেয়সীৰ হৃদয়ৰ কৰুণ বিৰহ-বেদনা, ভয়-শঙ্কা, উৎকণ্ঠা, প্রিয়জনক ওচৰত পাবলৈ উদ্বিগ্নতা আৰু হৃদয়ৰ ভাবানুভূতি বর্ণাঢ্য ৰূপত দাঙি ধৰা হৈছে। আমাৰ পাঠ্যবিষয়ৰ গীতটিত সংসাৰৰ দায়িত্ব আৰু কর্তব্যই আপোনজনৰ পৰা কেনেকৈ আঁতৰাই নিয়ে সেই বেদনা সুন্দৰ ৰূপত প্রকাশ পাইছে।
- কামৰূপী লোকগীতৰ বিষয়বস্তু অসমৰ বৈষ্ণৱ কবি-সাহিত্যিকসকলৰ গীতৰ ওচৰ চপা, এই কথা অনস্বীকার্য্য। কামৰূপী লোকগীতবোৰ ভক্তিমূলক, ধর্মনিৰপেক্ষ, কিংবদন্তিমূলক, বুৰঞ্জীমূলক আদি ধাৰাৰ সমাহাৰ। আমাৰ আলোচ্য পাঠৰ গীতটি 'গোপী কৃষ্ণৰ নাম' শিশুলীলা গীতৰ অন্তর্ভুক্ত। গীতটিত যশোদাৰ বিভিন্ন ভাবানুভূতিৰ চিত্র সুন্দৰ ৰূপত ফুটি উঠিছে।

- আজান ফকীৰে ইছলাম ধর্মৰ পৱিত্র বাণী প্রচাৰৰ বাবে অসমীয়া সুৰীয়া গীতৰ সুৰেৰে কিছুমান গীত ৰচনা কৰিছিল। সেই গীতবোৰেই জনসমাজত জিকিৰ নামেৰে পৰিচিত হয়। আমাৰ আলোচ্য পাঠৰ জিকিৰটিৰ মাজেৰে আজান ফকীৰে ইছলাম ধর্মৰ মূল ভেটি পাঁচোটাৰ, যেনে— কলিমা, নামাজ, ৰোজা, হজ, জাকাত আদিৰ ভিতৰত কলিমা অর্থাৎ ইছলাম ধর্মৰ মহত্ত্ব আৰু দেহতত্ত্বৰ কথা প্রকাশ কৰিছে।
- দেহ বিচাৰৰ গীত হ'ল আধ্যাত্মিক ভাবৰ এক শ্রেণীৰ তত্ত্বগধুৰ গীত। বয়সীয়াল বুঢ়াভকত, সংসাৰ বিৰাগী আৰু মগনীয়াৰ মুখত এই শ্রেণীৰ গীত সঘনাই শুনা যায়। সংসাৰৰ মায়া-মোহ, জ্বালা-যন্ত্রণা, পাপ-পঙ্কিলতাৰ পৰা হাত সাৰিবলৈ বা মুক্তি লাভ কৰিবলৈ সাধকসকলৰ মনৰ বৈৰাগ্যমূলক ভাব এই শ্রেণীৰ গীতৰ মাজত পোৱা যায়। ব্রহ্মাণ্ড ৰূপী দেহটোত আত্মা আছে বাবে ইয়াৰ মূল্য আছে। এই দেহটোত মন, বিবেক, বুদ্ধি আদিয়ে প্রতিটো মুহূর্ততে ক্রিয়া কৰি থাকে কাৰণে মায়া-মোহ, অহঙ্কাৰত বুৰ গৈ মানুহে সত্যৰ সন্ধান নাপায় অর্থাৎ শুদ্ধ পথ মার্গৰ পৰা আঁতৰি থাকে। এইবোৰৰ পৰা কেনেদৰে পৰিত্রাণ বা নির্বাণ লাভ কৰিব পাৰি তাৰ বিষয়ে আমাৰ আলোচ্য পাঠৰ দেহবিচাৰৰ গীতটিত প্রকাশিত হৈছে।



১.৯ অধিক জানিবলৈ

১) গগৈ, লীলা (১৯৬৮); *অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা*; গোলাঘাট ঃ নবীন পুস্তক ভাণ্ডাৰ।

২) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জন-সাহিত্য*; পাণবজাৰ ঃ গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) দত্ত, বীৰেন্দ্র নাথ (১৯৭৪); *গোৱালপৰীয়া লোকগীত সংগ্রহ*; যোৰহাট।

৪) দাস, ধীৰেন (১৯৯৪); *গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত*; পাণবজাৰ ঃ গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) দাস, বাবুল (সম্পা.) (২০১১); *কামৰূপী লোকগীত*; পাণবজাৰ ঃ গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টৰ্ছ্।

৬) নেওগ, মহেশ্বৰ (১৯৮৫); *অসমীয়া গীতি-সাহিত্য*; পাণবজাৰ ঃ গুৱাহাটী ঃ বাণীমন্দিৰ।

৭) বৰুৱা, অতুল চন্দ্র (১৯৮১); *অসমীয়া লোক-সাহিত্য*; গুৱাহাটী ঃ অসম বুক ডিপো।

৮) বৰুৱা, প্রহ্লাদ কুমাৰ (সম্পা.) (২০০১); *অসমীয়া লোক-সাহিত্য*; ডিব্রুগড় ঃ সুৰভি সাহিত্য কুটীৰ।

৯) ৰহমান, লুৎফুৰ (সম্পা.) (২০০১); *চৈয়দ আব্দুল মালিক ৰচনাৱলী* (পঞ্চম খণ্ড); গুৱাহাটী ঃ কস্তুৰী প্রকাশন।

১০) শর্মা, হেমন্ত কুমাৰ (১৯৯৮); *অসমীয়া লোকগীত সঞ্চয়ন*; পাণবজাৰ ঃ গুৱাহাটী ঃ বীণা লাইব্রেৰী।

১১) শর্মা, শশী (১৯৯৩); *অসমৰ লোক-সাহিত্য*; পাণবজাৰ ঃ গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টৰ্ছ্।

১২) হাজৰিকা, পৰীক্ষিত (২০০৪); *চর্য্যাপদ*; পাণবজাৰ ঃ গুৱাহাটী ঃ বনলতা।

১৩) হোছেইন, ইছমাইল (সম্পা.)(২০১৫); *আজান পীৰ আৰু জিকিৰ*; পাণবজাৰ ঃ গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৪) হুছেইন, এছ. এম. (সম্পা.) (১৯৯০); *অসমীয়া জিকিৰ জাৰি*; পাণবজাৰ ঃ গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১৫) উদ্দিন, মালিক (২০১০); *চুফীবাদ আৰু অসমীয়া কাব্য*; কোকৰাঝাৰ জিলা সাহিত্য সভা, কোকৰাঝাৰ।

১.১০ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ মৈছালৰ গীত গোৱালপাৰা অঞ্চলত প্রচলিত... ...এই ধৰণৰ গীতত মৈছাল আৰু তেওঁৰ প্রেমিকাৰ বিৰহ-বেদনাযুক্ত জীৱনচর্যা বর্ণনা কৰা হয় সেই বিষয়ে লিখিব লাগিব, লগতে এই শ্রেণীৰ গীতৰ বিভিন্ন দিশ সম্পর্কে লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ গোপী কৃষ্ণৰ গীত কোন শ্রেণীৰ গীতৰ অন্তর্গত... ...গোপী কৃষ্ণৰ গীতৰ বিষয়বস্তু... ...গোপী কৃষ্ণৰ গীতত ফুটি উঠা যশোদাৰ চৰিত্রৰ বৈশিষ্ট্য সম্পর্কে লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ জিকিৰৰ ৰচক কোন... ...তেওঁৰ পৰিচয়... ...জিকিৰৰ বিষয়বস্তু পাঠ্যবিষয়ৰ অন্তর্গত জিকিৰটোৰ আলমত জিকিৰৰ সাহিত্যিক সৌন্দর্য সাঙ্গীতিক বৈশিষ্ট্য আদিৰ বিষয়ে আভাস দিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ দেহবিচাৰ গীত কি... ...ইয়াৰ বিষয়বস্তু তাৎপর্য পাঠ্যবিষয়ৰ গীতটিৰ আধাৰত এই শ্রেণী গীতত সংসাৰৰ অনিত্যতা, জীৱনৰ ক্ষণভঙ্গুৰতাই কেনেদৰে প্রাধান্য লাভ কৰিছে সেই বিষয়ে লিখিব লাগিব।

১.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ লোকগীতৰ বিষয়বস্তু আৰু ইয়াৰ তাৎপর্য্য সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ লোকগীতৰ বৈশিষ্ট্য গোৱালপৰীয়া লোকগীতত কিদৰে প্রতিফলিত হৈছে আলোচনা কৰক।

প্রশ্ন ৩ ঃ গোৱালপৰীয়া মৈছাল গীতৰ সাহিত্যিক আৰু সাঙ্গীতিক বৈশিষ্ট্য সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ ঃ গোৱালপৰীয়া লোকগীত সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ মৈছাল গীতটিৰ এটি সামগ্রিক বিশ্লেষণ দাঙি ধৰক।

প্রশ্ন ৬ ঃ কামৰূপীয়া লোকগীত সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৭ ঃ *মোৰ বাছা দূৰকে নাযাইবা এ* গীতটিৰ তাৎপর্য্য আলোচনা কৰক।

প্রশ্ন ৮ ঃ গোপী কৃষ্ণৰ গীতৰ অন্তর্গত পাঠ্যবিষয়ৰ গীতটোত যশোদাৰ চৰিত্র কিদৰে প্রকাশ পাইছে আলোচনা কৰক।

প্রশ্ন ৯ ঃ জিকিৰ শব্দৰ অর্থ কি? ইয়াৰ ৰচক কোন? আজান ফকীৰৰ পৰিচয় দিয়ক।

প্রশ্ন ১০ ঃ জিকিৰৰ বিষয়বস্তু আৰু তাত্ত্বিক দিশৰ এটি পর্য্যালোচনা কৰক।

প্রশ্ন ১১ ঃ জিকিৰৰ সাহিত্যিক আৰু সাঙ্গীতিক মূল্য নিৰূপণ কৰক।

প্রশ্ন ১২ ঃ দেহবিচাৰৰ গীত সম্পর্কে লিখক আৰু ইয়াৰ তাত্ত্বিক বা দার্শনিক দিশ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ১৩ ঃ পাঠ্যবিষয়ৰ অন্তর্গত দেহবিচাৰ গীতটোৰ গূঢ়ার্থ বিচাৰ কৰক।

প্রশ্ন ১৪ ঃ দেহবিচাৰ গীতৰ সাহিত্যিক আৰু সাঙ্গীতিক বৈশিষ্ট্য সম্পর্কে আলোচনা কৰক।

*** ***** ***